সাহিত্য.com

কবিতা | গল্প | প্রবন্ধ | অনুবাদ

প্রথম সংখ্যা

অক্টোবৰ ২০২৬

স্রোত

অসমীয়া সাহিত্য আলোচনী

স্রোত

অসমীয়া সাহিত্য আলোচনী

১ **সম্পাদকীয়** অসমীয়া ভাষা: অসমীয়াৰ অস্তিত্ব আৰু আমাৰ দায়িত্ব ৩-৫

২ অসমীয়া কবিতা প্রতিযোগিতা ২০২৬

- চিঞৰ ৬-৭
- পৃথিরীৰ আদিম সুৰ ৮-৯
- অন্তৰাগৰ অলকানন্দা ১০-১১

৩ অসমীয়া চুটি গল্প প্রতিযোগিতা ২০২৬

- অব্যক্ত অনুভর ১২-১৪
- গেৰাম ১৫-৩১
- এনেদৰে ভাগেনে সপোন ৩২-৩৫

৪ অসমীয়া সাহিত্য প্রবন্ধ প্রতিযোগিতা ২০২৬

- সমসাময়িক সাময়িক জটিল সন্ধিক্ষণত নর-প্রজন্মৰ সপোন আৰু হতাশা ৩৬-৪২
- যুগশ্রষ্টাৰ জীরন গাথা — সংগীত আৰু জীরন ৪৩-৫৩
- সমসাময়িক সাময়িক আলোচনী: সাহিত্য আৰু যুর সমাজৰ ক্ষেত্রত ইয়াৰ ভূমিকা ৫৩-৫৬

অসমীয়া ভাষা:
অসমীয়াৰ অস্তিত্ব আৰু আমাৰ দায়িত্ব
অসমীয়া সাহিত্য
অসমীয়া সংস্কৃতি
অসমীয়া ইতিহাস
অসমীয়ৰ চিনাকি
আমাৰ ভাষা
আমাৰ অস্তিত্ব
Xahitya.com

Xahitya.com

অসমীয়া ভাষা: অসমীয়াৰ অস্তিত্ব আৰু আমাৰ দায়িত্ব

সম্পাদকীয়

ভাষা কেৱল কথা কোৱাৰ এটা মাধ্যমেই নহয়, ভাষা হৈছে এটা জাতিৰ চিনাকি; ইতিহাস, সংস্কৃতি, অনুভৱ আৰু আত্মপৰিচয়ৰ বাহক। এজন মানুহে নিজৰ মাতৃভাষাতেই হাঁহে - কান্দে আৰু সপোন দেখে । অসমীয়া ভাষা আমাৰ বাবে কেৱল এটা ভাষাই নহয় ,ই আমাৰ অস্তিত্ব।

কিন্তু আজিৰ দিনত আমি এটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সন্মুখীন হৈছোঁ,"আমি আমাৰ ভাষাটোক সঁচাকৈয়ে কিমান ভাল পাওঁ ?"

আমি অসমীয়া ভাষাকলৈ গৌৰৱ কৰোঁ, অসমীয়া সাহিত্যৰ কথা কওঁ, আমাৰ মহান সাহিত্যিকসকলক স্মৰণ কৰোঁ। কিন্তু দৈনন্দিন জীৱনত আমি কিমানখিনি অসমীয়া ভাষাটো ব্যৱহাৰ কৰোঁ? পৰিয়ালৰ সৈতে আমি কোন ভাষাত কথা পাতোঁ? সামাজিক মাধ্যমত কোন ভাষাত লিখোঁ? দোকান, ব্যৱসায়, শিক্ষা আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ স্থান কিমান?

ভাষা কোনো এটা দিনত হেৰাই নাযায়। যেতিয়া মানুহে লাহে লাহে সেই ভাষাটো ব্যৱহাৰ কৰিবলৈ এৰি দিয়ে, তেতিয়াই ভাষাটোৰ অস্তিত্ব দুৰ্বল হ'বলৈ আৰম্ভ কৰে।কিয়নো ভাষাটো বচাবলৈ কেৱল আবেগেই যথেষ্ট নহয়!

অসমীয়া ভাষাক ভালপোৱা মানে কেৱল ২১ ফেব্ৰুৱাৰী বা ১৯ মে'ত ভাষাৰ কথা কোৱা নহয়। ভাষাক ভালপোৱা মানে ভাষাটো শুদ্ধভাৱে ব্যৱহাৰ কৰা।

ঘৰত সন্তানৰ সৈতে অসমীয়াত কথা কোৱা, অসমীয়াত কিতাপ পঢ়া, অসমীয়াত লিখা, সামাজিক মাধ্যমত অসমীয়া ব্যৱহাৰ কৰা, অসমীয়া সাহিত্যিক আৰু লেখকসকলক পঢ়া, এই সৰু সৰু কামবোৰেই ভাষা সংৰক্ষণৰ প্ৰকৃত আন্দোলন।

আমি প্ৰযুক্তিৰ যুগত বাস কৰিছোঁ। সেয়েহে অসমীয়া ভাষাক বচাবলৈ প্ৰযুক্তিৰ পৰাও আঁতৰি থাকিব নোৱাৰো। ৱেবছাইট, মোবাইল এপ, সামাজিক মাধ্যম, ডিজিটেল কিতাপ, পডকাষ্ট, ভিডিঅ', AI ,সকলো ক্ষেত্ৰতে অসমীয়া ভাষাৰ উপস্থিতি বৃদ্ধি কৰিব লাগিব। যি ভাষা নতুন প্ৰজন্মৰ ডিজিটেল জীৱনত উপস্থিত নাথাকে, সেই ভাষাৰ ভৱিষ্যৎ ক্ৰমাৎ সংকুচিত হয়। এনেকুৱাই অসমীয়া ভাষাটোৰ লগত হ'বলৈ গৈ আছে।

আমাৰ কৰণীয় কি?

ভাষা সংৰক্ষণৰ দায়িত্ব কেৱল চৰকাৰ, সাহিত্যিক বা শিক্ষানুষ্ঠানৰ নহয়। এই দায়িত্ব আমাৰ সকলোৰে। প্ৰতিজন অসমীয়াৰ।

এজন অভিভাৱকে নিজৰ সন্তানক এখন অসমীয়া কিতাপ উপহাৰ দিব পাৰে।

এজন ছাত্ৰই প্ৰতিদিনে অসমীয়াত এটা পৃষ্ঠা লিখিব পাৰে।

এজন লেখকে নতুন প্ৰজন্মৰ বাবে নতুন বিষয়ত অসমীয়াত লিখিব পাৰে।

এজন শিক্ষকে শ্ৰেণীকোঠাত অসমীয়া ভাষাক অধিক সৃষ্টিশীলভাৱে ব্যৱহাৰ কৰিব পাৰে।

এজন ব্যৱসায়ীয়ে নিজৰ দোকানৰ নাম, বিজ্ঞাপন আৰু তথ্য অসমীয়াতো প্ৰদান কৰিব পাৰে।

আৰু আমি সকলোৱে সামাজিক মাধ্যমত অসমীয়া ভাষাক অধিক ব্যৱহাৰ কৰিব পাৰোঁ।

এই সৰু সৰু পদক্ষেপবোৰ একেলগ হ'লেই এক বৃহৎ পৰিৱৰ্তন সম্ভৱ হয়।

অসমীয়া ভাষাৰ ভৱিষ্যৎ আজিৰ শিশুসকলৰ হাতত। কিন্তু তেওঁলোকক কেৱল “অসমীয়া ভাষা ৰক্ষা কৰা” বুলি ক’লেই নহ’ব। তেওঁলোকক দেখুৱাব লাগিব অসমীয়া ভাষাতো যে সুন্দৰ, আধুনিক আৰু সৃষ্টিশীল পৃথিৱী এখন আছে। তেওঁলোকে অসমীয়াত পঢ়িব পাৰিব লাগিব, ক'ব পাৰিব লাগিব।

আমি অসমীয়া ভাষাক অতীতৰ স্মৃতি হিচাপে নহয়, ভৱিষ্যতৰ ভাষা হিচাপে গঢ়ি তুলিব লাগিব।

আৰু এই বিশ্বাসৰ পৰাই Xahitya.com-ৰ দৰে আমাৰ এক প্ৰচেষ্টাৰ জন্ম হৈছে। আমি বিশ্বাস কৰোঁ যে, অসমীয়া ভাষাৰ বাবে ডাঙৰ কাম কৰিবলৈ সদায় ডাঙৰ ডাঙৰ প্ৰতিষ্ঠানৰ প্ৰয়োজন নহয়। কেতিয়াবা দুজনমান মানুহৰ সৰু এটা প্ৰচেষ্টাইও বহুজনক লিখিবলৈ, পঢ়িবলৈ আৰু নিজৰ ভাষাক ভাল পাবলৈ অনুপ্ৰাণিত কৰিব পাৰে।

নতুন লেখকক সুযোগ দিয়া, প্ৰতিযোগিতা আয়োজন কৰা, লেখাসমূহ প্ৰকাশ কৰা, আলোচনী প্ৰকাশ কৰা, এই সকলোবোৰৰ মূল উদ্দেশ্য এটাই: অসমীয়া ভাষাত সৃষ্টিৰ পৰিসৰ বৃদ্ধি কৰা।

আমি বিচাৰোঁ, এজন নতুন লেখকে নিজৰ প্ৰথম কবিতাটো অসমীয়াত লিখক। এজন ছাত্ৰই নিজৰ প্ৰথম প্ৰবন্ধটো অসমীয়াত প্ৰকাশ কৰক। এজন পাঠকে এজন নতুন অসমীয়া লেখকক আৱিষ্কাৰ কৰক।

কাৰণ ভাষা তেতিয়াহে জীয়াই থাকে, যেতিয়া সেই ভাষাত নতুন নতুন কাহিনীৰ জন্ম লয়।

শেষত...

আমি অসমীয়া ভাষাক বচাব লাগিব বুলি কওঁ। কিন্তু সত্যটো হ’ল, অসমীয়া ভাষাক আমাৰ পৰা বচোৱাৰ প্ৰয়োজন নাই; আমাকহে অসমীয়া ভাষাৰ পৰা আঁতৰি যোৱাৰ পৰা নিজকে বচাব লাগিব।

আমাৰ হাতত মোবাইল আছে, ইণ্টাৰনেট আছে, সামাজিক মাধ্যম আছে, অসীম সম্ভাৱনা আছে। এতিয়া প্ৰশ্নটো হ’ল, "এই সকলোবোৰৰ মাজত আমি নিজৰ ভাষাটোৰ বাবে কিমানখিনি ঠাই ৰাখিছোঁ?"

আহক, অসমীয়া ভাষাক কেৱল গৌৰৱৰ বিষয় কৰি নাৰাখোঁ।

ইয়াক ব্যৱহাৰ কৰোঁ।

ইয়াত লিখোঁ।

ইয়াত পঢ়োঁ।

ইয়াত সৃষ্টি কৰোঁ।

আৰু পৰৱৰ্তী প্ৰজন্মৰ হাতত শক্তিশালী, জীৱন্ত আৰু সমৃদ্ধ অসমীয়া ভাষা তুলি দিওঁ।

কাৰণ ভাষা জীয়াই থাকিলে আমাৰ কাহিনী জীয়াই থাকিব।

আমাৰ কাহিনী জীয়াই থাকিলে আমিও জীয়াই থাকিম।

ডা সুদীপ্ত

সম্পাদক

Xahitya.com

প্ৰথম পুৰস্কাৰ

চিঞৰ

আৰিফ হক

চিঞৰ

আৰিফ হক

নিশাৰ প্ৰহৰত নিদ্ৰাক্লিষ্ট জনতাৰ
সুযোগ লৈ এচাম নিশাচৰৰ
লজ্জিত কাণ্ড

লগতে বেশ্যাৰ সহযোগিতাৰে
পৰিস্থিতি অধিক সক্ৰিয়

“মোৰ দুটা ল’ৰা আছে… বাপেক মদাহী!”

□ ইত্যাদি বাস্তৱৰ আঘাত লৈ

অন্ধকাৰময় ৰাজপথত নিঃসহায় বেশ্যাত
চলে উপৰ্যুপৰি যন্ত্ৰণাঘাত।

কিন্তু উপায়হীন!

চিঞৰিব খুজিও নীৰৱ… মৌনতাৰ আহ্বান
বাগৰি আহে তপ্ত অশ্ৰুৰ ধাৰা

দূৰৈত বনডাউকৰ চিঞৰ
তাৰ লগতত সুৰ মিলাই
হৈ পৰে নিঃস্ব।

সন্তানক মানুহ গঢ়াৰ মানস
ইয়াৰ হেতুকে ত্যাগ দিয়ে
বিলাস যৌৱন শ্ৰাদ্ধ্য

এনে সংসাৰত আৰ্তনাদ নাৰীৰ
এটি শব্দ হৈ পৰে আপোন
“চিঞৰ”।

দ্বিতীয় পুৰস্কাৰ

পৃথিৱীৰ আদিম সুৰ

কবি — নয়ন নিলিম শৰ্মা

পৃথিৱীৰ আদিম সুৰ

নয়ন নিলিম শৰ্মা

পৃথিৱীখনত তেতিয়াও আছিল এটা জ্বলন্ত আঙঠা,
বতাহত আছিল কেঁচা মাটি আৰু তেজৰ মিশ্ৰিত সুবাস।
আমাৰ ভাষাবোৰ তেতিয়াও কণ্ঠত বন্দী হৈ আছিল,
চকুৰ কোণত আছিল কেৱল চিকাৰীৰ তীব্ৰ দৃষ্টি,
আৰু বুকুত আছিল এটা ঢপচপনি- যি আছিল বিশ্বৰ প্ৰথম সংগীত।

আমি শিল কাটি জুই জ্বলাইছিলোঁ,
কিন্তু সেই জুইতকৈও তীব্ৰ আছিল আমাৰ পেটৰ ভোক।
গুহাৰ দেৱালত আঁকিছিলোঁ হাতৰ তলুৱাৰ সাঁচ,
যাতে কালৰ সোঁতত হেৰাই নগৈও বৈ যায়-
“আমি আছিলোঁ।”
আমি আছিলোঁ এই অৰণ্যৰ অংশ, আমি আছিলোঁ এই ধুমুহাৰ সহযাত্ৰী।

হেজাৰ বছৰৰ বালিৰ তৰপবোৰ খহি পৰিলেও,
আজিও নিশাৰ নিস্তব্ধতাত সেই একেই আদিম সুৰ শুনিবলৈ পাওঁ।

যেতিয়া চহৰৰ লাইটবোৰ নুমাই যায়,
আৰু মানুহবোৰ আকৌ নিজৰ নগ্ন আত্মাৰ মুখামুখি হয়-তেতিয়া বুজি পোৱা যায়,
আমাৰ ভিতৰৰ সেই পশুটো আজিও জীয়াই আছে।

যিয়ে গৰ্জন কৰি উঠে প্ৰতিটো অন্যায়ত,
যিয়ে হাহাকাৰ কৰি উঠে প্ৰতিটো বিচ্ছেদত।

সভ্যতাৰ চোলাটো বৰ ঠেক হৈ পৰিছে,
আমি আকৌ এবাৰ উভতি যাওঁ-
সেই বিশাল আকাশৰ তললৈ,
য’ত নক্ষত্ৰবোৰ আছিল আমাৰ পথপ্ৰদৰ্শক,
আৰু পৃথিৱীখন আছিল আমাৰ একমাত্ৰ ঘৰ।

য’ত কোনো ধৰ্ম নাছিল, কোনো সীমা নাছিল,
আছিল কেৱল জীয়াই থকাৰ এক আদিম আৰু গভীৰ মাদকতা।

তৃতীয় পুৰস্কাৰ

অস্তৰাগৰ অলকানন্দা

কবি — শিৱেন ডেকা

অস্তৰাগৰ অলকানন্দা

শিৱেন ডেকা

প্ৰকৃতি এতিয়া মোৰ বাবে কেৱল এক দৃশ্যপট নহয়—

ই যেন মোৰেই সত্তাৰ এক অতীন্দ্ৰিয় আলাপ,

য'ত শিপাই কয় ধৈৰ্যৰ মৌন মহিমাৰ কথা,

আৰু আকাশখনে বিলায়— এক পাৰ্থিৱ নিৰ্লিপ্ততাৰ প্ৰতাপ।

যৌৱনৰ সেই কল্লোলিত ধুমুহাৰ অন্তত,

এতিয়া মই বিচাৰি পাওঁ—

শৈবাল-সিক্ত শিলৰ সেই গম্ভীৰ স্থিৰতা;

য'ত সময়ে নীৰৱে খোদিত কৰি থৈ যায়

অপাৰ অভিজ্ঞতাৰ এক স্বৰ্ণিল বিচিত্ৰতা।

মোৰ চকুৰ পলকৰ সেই অন্তঃস্থলৰ ৰঙা আভাটিত,

বিলীন হয়— মোৰ সকলো তেজস্বী অহংকাৰ;

মৃত্তিকাৰ ঘ্ৰাণত বিচাৰি পাওঁ এক চিৰন্তন দৰ্শন—

য'ত মই আৰু প্ৰকৃতি, এক অদ্বৈত মূৰ্চ্ছনাৰ অলংকাৰ।

প্ৰথম পুৰস্কাৰ

চুটিগল্প

অব্যক্ত অনুভৱ

অনুৰাগ ডেকা

❧

❧

❧

❧

অব্যক্ত অনুভৱ

দুপৰীয়াৰ তীব্ৰ ৰ’দজাকে চহৰখনৰ তপত আলকতৰাবোৰ যেন গলাই পেলাব খুজিছে। অবিনাশে নিজৰ শীততাপ নিয়ন্ত্ৰিত গাড়ীখনৰ ভিতৰত বহি বাহিৰৰ কোলাহলবোৰলৈ চাই আছিল। ট্ৰাফিক চিগনেলৰ ৰঙা চকুহাল যেন আজি বহুত দেৰিলৈকে মুদ নাখাব। ফাইলৰ দস্তাবেজ, মিটিং আৰু লক্ষ্যৰ পিছে পিছে দৌৰোঁতে দৌৰোঁতে তেওঁৰ জীৱনটোও যেন এটা যান্ত্ৰিক ঘড়ীৰ দৰে হৈ পৰিছে। হাতঘড়ীটোলৈ চাই তেওঁ আকৌ এবাৰ বিৰক্তিৰে চকুহাল মুদি দিলে।

হঠাৎ গাড়ীৰ কাঁচত এটা মৃদু টোকৰ পৰিল। অবিনাশে চকু মেলি দেখিলে এজন বৃদ্ধ মানুহ। বয়সৰ ভৰত কঁকালটো অলপ বেছি হালিছে, গাৰ ছালবোৰ শোটোৰা-শোটোৰী। মানুহজনৰ হাতত এখন সৰু বাঁহৰ ডলা, য'ত কেইটামান মাটিৰ পুতলা আৰু টিং টিংকৈ বাজি থকা সৰু সৰু জুনুকা। মানুহজনৰ মুখত এক অদ্ভুত ধৰণৰ প্ৰশান্তি। তেওঁ অতি আশাৰে অবিনাশৰ ফালে চাই হাতৰ জুনুকাটো জোকাৰি দিলে ।অবিনাশৰ প্ৰথমতে খং উঠিছিল। এই উৎকট গৰমত অহেতুক আমনি কৰা মানুহবোৰক তেওঁ একেবাৰেই সহ্য কৰিব নোৱাৰে। তেওঁ

আইনাখন নমাই মানুহজনক খেদিব খুজিছিল, কিন্তু কিবা এক অজ্ঞাত আকৰ্ষণত তেওঁ ৰৈ গ'ল। মাটিৰ

পুতলাবোৰৰ ওপৰত তেওঁৰ চকু স্থিৰ হ'ল। সেই একেই ৰঙীন মাটিৰ ঘোঁৰা, যাৰ ওপৰত বহি তেওঁ এদিন শৈশৱৰ

কল্পনাৰ দেশত বিচৰণ কৰিছিল। চহৰৰ ভাওৰ ডাঙৰ শ্বপিং মলত পোৱা দামী খেলনাবোৰৰ ভিৰত তেওঁ পাহৰিয়েই পেলাইছিল এই মাটিৰ গোন্ধ থকা পুতলাবোৰৰ কথা।

"এটা ল'ব নেকি দাদা? নাতিটোৰ কাৰণে চাউল কেইটামান নিব লাগে," বৃদ্ধজনৰ কণ্ঠত এক কৰুণ অথচ বিনম্ৰ আবেদন আছিল।

অবিনাশে একো নকৈ মানুহজনৰ হাতৰ পৰা মাটিৰ ঘোঁৰা এটা তুলি ল'লে। তাৰ গাৰ ৰংবোৰ ঠায়ে ঠায়ে এৰাই গৈছে, নিৰ্মাণতো কোনো আধুনিকতাৰ পৰশ নাই। কিন্তু সেইটো স্পৰ্শ কৰাৰ লগে লগে তেওঁৰ মনটো যেন মুহূৰ্ততে বহু বছৰ পাছলৈ উৰা মাৰিলে। পদূলিৰ সেই বকুলজোপাৰ তলত মাটিয়ে-ধূলিয়ে খেলি থকা সৰু ল'ৰাটোৰ ছবিখন

তেওঁৰ চকুৰ আগত জিলিকি উঠিল। তেওঁৰ মনৰ গভীৰত ক'ৰবাত লুকুৱাই থকা সেই নিস্পাপ শিশুটোৱে যেন আজি বহু দিনৰ মূৰত সাৰ পাই উঠিল।

চিগনেলটো সেউজীয়া হ'ল। পাছফালৰ গাড়ীবোৰে তীব্ৰ শব্দেৰে হৰ্ণ বজায় এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰিলে। অবিনাশে খৰখেদাকৈ মানুহজনৰ হাতত এশটকীয়া নোট এখন গুজি দিলে। মানুহজনে বাকী পইচা ঘূৰাই দিব খুজিছিল যদিও অবিনাশে হাত জোকাৰি মানা কৰিলে। গাড়ীখন আগুৱাই গ'ল।অবিনাশে চাইড মিৰৰখনত চালে। বৃদ্ধ মানুহজনে আনন্দত নোটখন কপালত লগাই সেৱা কৰিছে। তেওঁৰ গাড়ীৰ লেদাৰৰ চীটটোৰ ওপৰত মাটিৰ পুতলাটো অকলশৰীয়াকৈ বহি আছিল। চহৰৰ ব্যস্ততা, কোলাহল আৰু কৃত্ৰিমতাৰ মাজত সেই সৰু পুতলাটো যেন এক বিসদৃশ দৃশ্য। অথচ, সেইটোৱেই যেন আজি অবিনাশৰ বাবে আটাইতকৈ আপোন হৈ পৰিল।

তেওঁৰ গন্তব্যস্থান এতিয়াও বহুত দূৰ, কিন্তু তেওঁৰ মনৰ ভিতৰত চলি থকা সেই যান্ত্ৰিক যুঁজখন যেন কিছু পৰিমাণে থমকি ৰৈছে।

বতাহজাকত মাটিৰ এক ক্ষীণ গোন্ধ ভাঁহি আহিল। অবিনাশে খিৰিকীখন অলপ নমাই দিলে। চহৰখনৰ ধূলি-বালিৰ মাজতো আজি যেন তেওঁ এক অচিনাকি সুবাস বিচাৰি পালে। জীৱনৰ অংকবোৰ মিলাবলৈ গৈ তেওঁ কিমান কি হেৰুৱালে, তাৰ কোনো হিচাপ তেওঁৰ হাতত নাই; কিন্তু সেই মুহূৰ্তত তেওঁ মাত্ৰ এজন সফল ব্যৱসায়ী নহয়, বৰঞ্চ নিজৰ শৈশৱক পুনৰুদ্ধাৰ কৰা এজন সাধাৰণ মানুহহে আছিল। গাড়ীখন ভিৰৰ মাজত মিলি গ'ল, ৰৈ গ'ল মাথোঁ এক অব্যক্ত অনুভৱ।

দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত চুটিগল্প

গেৰাম

অভিৰাজ দত্ত

।। এক ।।

“তক কত টাকা লাগে, আমি দিমু। এইনা নাটক কৰবি না।”

“তই কাক দম দিবলে আহিছ? চুৱাৰ বাচ্চা, থুই চাল্লা... ওলা বুলি কৈছো নহয় ওলা। তই, ওলা ইয়াৰ পৰা।”

“এ হ’ব, জাই তলি। দুই দিন খাইবাৰ নাপাইলি আমাৰ বগলে দৌৰা আছপি।”

উছমান দপদপাই কোঠাৰ পৰা ওলাই গ’ল। বাহিৰৰ ঘুমতিখনৰ পৰা চিগাৰেট এটা কিনি জ্বলালে। খং উঠিলে উছমানৰ হাত-ভৰিবোৰ কঁপিবলৈ ধৰে। তাৰ চকু দুটাও ৰঙা পৰি গ’ল। আজি এজনী মাইকী মানুহে তাক দম দিছে। বস্তিৰ সকলোৱে শুনিছে। সিহঁতৰ আগত আজি তাৰ চব ইজ্জত শেষ হৈ গ’ল।

মদ খাই সি ৰাস্তাত পৰি থাকে। কাজিয়া লাগি নাক-মুখো ভাঙি গৈছে আগতে। এইবোৰলৈ সি কেৰেপেই নকৰে। কিন্তু আজি? এজনী মাইকী মানুহে যেন তাৰ পুৰুষত্বক অংগুষ্ঠ দেখুৱালে... এইটো সি হজম কৰিব পৰা নাই। এই উত্তেজনাক সি শান্ত কৰিবই লাগিব। মদ খাবলৈ তাৰ ইচ্ছা যোৱা নাই। এই উত্তেজনা প্ৰশমিত কৰিবলৈ আজি সি কোনো দেহোপজীৱিনীৰ শয্যাসংগী হ’ব লাগিব। সি জানে, পতিতালয়ৰ জুপুৰিবোৰৰ প্ৰতিখন দুৱাৰ তাৰ কাৰণে বিনামূল্যেই খোল খাই যায়।

।। দুই ।।

উছমানে চিগাৰেট এটা জ্বলালে। গোটেই আন্ধাৰ কোঠাটোত জ্বলন্ত চিগাৰেটৰ স্ফুলিংগটো পূৰ্ণিমাৰ জোনটোৰ নিচিনাকৈ যেন ফটফটিয়া হৈ পৰিছে।

পৰীয়ে সৰু চাকিটো জ্বলাই আনি কোঠাটোৰ মজিয়াত থ'লে। বিচনাখনৰ বাহিৰে চাকিটো থ'বলৈ দ্বিতীয় এপদ আচবাব কোঠাটোত নাই। পৰী আহি বিচনাখনত বহিল। উছমানে তাইৰ কঁকালটোত ধৰি ঠেলা মাৰি তাইক বিচনাখনত শুৱাই দিলে। সি তাইৰ শাৰীৰ আঁচলখন আঁতৰাই তাইৰ গালে-মুখে তিঁয়াই চুমা খাবলৈ ধৰিলে। পৰীয়ে নিজকে বিচনাত সমৰ্পণ কৰিলে, যেন যুদ্ধত পৰাজিত কোনো দেশৰ সেনানায়কে শত্ৰু ৰাষ্ট্ৰৰ সেনানায়কৰ সন্মুখত নতি স্বীকাৰ কৰিছে।

আৰু তাৰপিছত.....

সেই মানৱ ক্ৰমিকাশৰ মৌলিক প্ৰয়োজনবিধ, যাৰ স্পৰ্শৰ পৰা দেৱী-দেৱতাও সাৰি যোৱা নাছিল।

"কি হ'ল তোৰ আজি? ওৰহিৰ খং ভগা ঢাৰিত জাৰিছ যে?"

উছমানৰ উদং বুকুৰ নোমবোৰৰ মাজত আলফুলকৈ হাতেৰে কুণ্ডলী পকাই-পকাই পৰীয়ে সুধিলে।

"কি কৰ?"

"ইমান আকুহি-বাকুহিলি? কাৰ খঙ মোৰ ওপৰত উলিয়ালি?"

"আছি, এটা, সাতবাতাৰি চাল্লী।"

"কাৰ কথা কৈছ?"

উছমানে শুৱাৰ পৰা উঠি তাৰ উদং গাত আওপুৰণি কোটটো পিন্ধি ল’লে। কোটৰ জেপৰ পৰা চিগাৰেট এটা উলিয়াই জ্বলালে। এমোকোৰা ধোঁৱা উৰুৱাই সি পৰীৰ ফালে কেৰাহিকৈ চাই ক’লে,

“ৰহিমা।”

“কি কৰিলে আকৌ তাই?”

“চাল্লীৰ দং বেছি। কাষ্টমাৰ আইছে, সুখী ৰাখ, তাই কাষ্টমাৰক নাৰাজ কৰিছে। কাষ্টমাৰ আমাৰ ঠিকা পইচা ঘূৰাই এ নিছে।”

পৰীয়ে একো উত্তৰ নিদিলে। তাই জানে, তাই যদি ৰহিমাৰ ফালে মাত মাতি উছমানক কিবা এটা কয়, উছমানে তাইৰ ওচৰলৈ আৰু কাষ্টমাৰ নপঠাব। ৰূপ-লাৱণ্যৰ ফালৰ পৰা তাইৰ অদ্বিতীয় যদিও ইতিমধ্যে বয়সৰ চাপে তাইৰ চেহেৰাত দেখা দিছে। প্ৰসাধনে সেই চাপ কিঞ্চিত পৰিমাণে লুকোৱাই ৰাখে যদিও আৰু দুই-তিনিবছৰৰ পিছত সেয়া লুকাই নাথাকিব। এই দুটামান বছৰৰ ভিতৰতে তাই পইচা ঘটিব লাগিব, সেইকেইটা পইচাৰে তাই ঘুমতি এখন খুলিব আৰু এই নৰককুণ্ডৰ পৰা ওলাই যাব। উছমানে তাইক কেইটামান ধনী কাষ্টমাৰ আনি দিম বুলিও কৈছে। ঘণ্টাত সিহঁতক পঞ্চাছ হাজাৰ টকা পৰ্যন্ত পইচা দিব হেনো। এতিয়া, তাই ৰহিমাৰ সপক্ষে যুক্তি দি নিজেই খুঁটি পুতি উজুতি খাব নোখোজে।

“চাহ-একাপ খাই যা ৰহ!”

“আহনৰ চাহ খাবনা। আমাৰ কাম আছে, আমি যায়। কাষ্টমাৰ পাইলি কৈ ৰহ তোক।”

উছমান কোবাকুবিকৈ কোঠাটোৰ পৰা ওলাই গ’ল।

উছমান যোৱাৰ পিছত পৰীয়ে দুৱাৰখন জপাই দিয়ে। ভগা বেৰত আঁৰি থোৱা আঁচীখনত তাই নিজকে এবাৰ চালে। কিঞ্চিৎ পোহৰত উদ্ভাসিত হৈ পৰিছে বয়সৰ ৰেখা, ডিঙিত দৈত্যৰ দাঁতৰ কামোৰৰ দাগবোৰ। এই দাগবোৰ ক্ষণস্থায়ী, কিন্তু তাইৰ অন্তৰত সি দিয়া সেই দাগবোৰ? সেইবোৰ জানো মচ খাব কেতিয়াবা?

।। তিনি ।।

ৰহিমাই গা-ধুই আহি কোঠাটোৰ বিচনাখনত বহিল। কালিৰ ঘটনাটোৱে তাইক এতিয়াও খুলি-খুলি খাইছে। উছমানে ঠিকেই কৈছিল, পইচাৰ অভাৱ হ’লে তাই উছমানৰ ওচৰলৈকে যাব লাগিব। নহ’লে? নহ’লে তাই খাব কি? পুৰণা কাপোৰকেইখনেৰে তাই লজ্জা নিবাৰণ কৰিব পাৰিব। কিন্তু এই পেটৰ ভোকটো? সেইটো মাৰিবলৈ হ’লে তাই নিজকে মৰাৰ বাহিৰে আন বিকল্প নাই। তাই আত্মহত্যা কৰিব!!

“হে খোদা! মোক মাফ কৰি দিয়া? মই কি মহাপাপ কৰাৰ কথা ভাবিছো? আল্লাহে মোক মাফ নকৰিব?”

“কোন আল্লাহ? আল্লাহ সঁচাকৈ আছে নে? যদি আল্লাহে চাই আছে, মোৰ লগত কিয় ইমান অন্যায় কৰিলে? মই কাৰ কি অপকাৰ কৰিলো? উছমানৰ দৰে চয়তানবোৰক আল্লাহে কিয় শাস্তি নিদিয়ে? সিহঁতক জাহান্নামত নিনিয়ে কিয়?”

ৰহিমাই নিজৰ অৱচেতন মনক এতিয়াও পতিয়ন নিয়াব পৰা নাই যে, আল্লাহ নাই। আল্লাহে যে তাইৰ দৰে দুৰ্ভগীয়া এজনীক সহায় কৰিবলৈ কোনো ফৰিস্তা পঠিয়াই নিদিয়ে!

ইছমাইল তাইৰ বাবে ষ্টেচনত ৰৈ থাকিব। তাই আজি ইছমাইলক লগ কৰিব। তাৰ পিছত দুয়োটা গুৱাহাটী অভিমুখী ৰে’লত এক নতুন জীৱনৰ সন্ধানত ৰাওনা হ’ব। ৰহিমাৰ বাপেকে তাইক ইছমাইলৰ লগত নিকাহ নিদিয়ে। সি এটা মদাহী। ইছলামত মদ হাৰাম। মৌলবী এজনে যদি মদাহী এটালৈ জীয়েকক নিকাহ দিয়ে, সমাজে তেওঁক থুৱাব।

কিন্তু ইছমাইল! তাই নোৱাৰে তাক এৰিব! মদাহী হ’লেও তাই তাক ভাল পায়। ইছমাইলেও তাইক এৰিব নোখোজে। তাইৰ ককায়েককেইটাই ইছমাইলক কিমানবাৰ মাৰ-ধৰ কৰিছে? সি চলোৱা ৰিক্সাখন এদিন তাৰ ঘৰতে কৈ ভাঙি পেলাইছিল। ইছমাইলে বহুতদিন দিন-মজুৰি কৰিলে। পিছত কিবাকৈ টাউনত কাৰোবাৰ পৰা ভাড়ালৈ লোৱা ৰিক্সা এখন চলাবলৈ ল’লে।

এইদৰে আৰু কিমানদিন? ককায়েক-বাপেকৰ কঠোৰ শাসনত ৰহিমাই একেখন গাঁৱতে থকা স্বত্বেও ইছমাইলক লগ কৰিব নোৱাৰা হ'ল। দেউতাক-ককায়েকৰ চকুত ধূলি দি তাই ইছমাইলক লগ কৰিলে। এনেকৈ আৰু কিমান দিন! কাইলৈয়ে সিহঁতি গুৱাহাটীলৈ যাবলৈ ওলাল।

ইছমাইল তাইৰ বাবে ৰে'ল ষ্টেচনত ৰৈ থাকিব। তাই আজি ইছমাইলক লগ কৰিব।

গুৱাহাটীত আহি সিহঁতি বস্তি এটাত থাকিবলৈ ল'লে। ইছমাইলে ঠেলা চলায়, ৰহিমাই কাপোৰ চিলোৱা দোকানত কাম কৰি দুপইচা ঘটায়। দুটা প্ৰাণী, এৰা-ধৰাৰ মাজেৰে তেনেকৈয়ে চলি থাকিল দুটা বছৰ।

ইছমাইলৰ এক্সিডেণ্ট হ'ল। ভৰিত বেয়াকৈ জখম হৈছে। চৰকাৰী হস্পিতালত ডাক্তৰে দৰৱ লিখি দিলে। পিছে, কামত নাহিল। ভৰিৰ জখম হোৱা ঠাইৰ পৰা বিজলুৱা ওলাবলৈ ল'লে। ৰহিমাৰ তাক এবাৰ প্ৰাইভেট হস্পিতাললৈ নিবলৈ মন আছিল। কিন্তু পইচা যোগাৰ নহ'ল। ইছমাইল বিচনাৰ পৰা উঠিব নোৱাৰে। তাৰ ভৰিটোৰেও লাহে-লাহে গেলিবলৈ ধৰিলে। ভৰিটো খুব বেয়াকৈ গোন্ধায়। সেয়েহে, বস্তিৰ মানুহেও তাৰ খবৰ কৰিবলৈ নহা হ'ল। ইছমাইলক আল-পেচান ধৰোঁতেই ৰহিমাৰ দিনটো যায়। তাই কাপোৰ চিলোৱা কামটো বাদ দিলে।

ইছমাইলৰ মাত-বোল বন্ধ হ'ল। তিনিদিনৰ দিনা সি মৰিল। বস্তীৰ ওচৰৰ ৰাজহুৱা কবৰস্থানখনত তাক বস্তীৰ মুছলমান কেইজনমানে কবৰ দিলে।

কাম এৰি দিয়া ৰহিমাই আকৌ কাম বিচাৰি গুৱাহাটীৰ অলিয়ে-গলিয়ে ঘূৰি ফুৰিবলৈ ধৰিলে। নাই, তাইৰ কাৰণে এই কংক্ৰিটৰ চহৰখনত সামান্য কাম এটাও নোলাল।

“ৰহিমা বুবু, ৰহিমা বুবু, দুৱাৰতা খোলো।”

ৰহিমাই দুৱাৰখন খুলিলে।

“আপুনি?”

“আমি উছমান। ইছমাইলেৰ বন্ধু। আপনাক একটা কথা কৈবৰ আছিলাম।”

কি কথা?

“ইছমাইল মৰাৰ পৰা আপনাৰ বহুত কষ্ট হৈছে। একদিন আমাৰ সাতে গাৰাম এ দহা হৈছিলো, তহন কৈইল আমাক।”

“তাকেহে উছমান, খুব দিগদাৰ হৈছে অ' চলিবলৈ”

“যদি আপনা চান জেগা একটা আছে। হোনা আপনা থাকা পাৰবেন। তাৰ সাতে আপনা থাকতা কোনো যাতা অসুবিধা না হয়,তাৰ জানা আমি ব্যৱস্থা কৈইৰা দিমো”

ৰহিমাই উছমানক কি উত্তৰ দিব একো ভাবি নাপালে। উছমানৰ ভাষাৰ কথনশৈলীতে তাই গম পাইছে, সি কোনো চৰ-অঞ্চলৰেই হ’ব। বস্তিতো এনেকৈ কথা কোৱা লোক ধেৰ আছে। দুবছৰে সিহঁতৰ লগত কথা পাতি তাইও ভাষাটো জনা হৈছে। কিন্তু উছমান! ইছমাইলৰ মুখত কাহানিও তাই এই নামটো শুনা নাই। ইমানেই যদি ইছমাইলৰ ভাল বন্ধু আছিল, তাৰ মুখত অন্ততঃ এবাৰ হ’লেও উছমানৰ নামটো শুনিলেহেঁতেন!!

“নাই, এইবোৰ মানুহক বিশ্বাস কৰিব নোৱাৰি।”

“বুবু, কি ভাবতাইছ?”

“নাই নাই একো নাই।”

“কালকা চৌকালা আপনা ৰেডি থাকপান। বস্তুপাতি গনা বানবান। আমি ট্ৰাক আনিৰো। হনা, আমৰা দুজন যাইব।”

উছমান গ’লগৈ।

ৰহিমাই ভাবি নাপালে তাই কি কৰিব? ইয়াত থাকিলে তাই নাখাই মৰিব আৰু যদি উছমানৰ লগত গুচি যায়, তেতিয়া....

।। চাৰি ।।

সি বেৰৰ ফাঁকেৰে জুমি চালে। ভিতৰৰ কোঠাটোৰ বিচনাখনত মাক শুই আছে। কিছু মুহূৰ্তৰ আগতে তাক কোঠাটোৰ পৰা গতা মাৰি উলিয়াই দিয়া ডাঙৰ মানুহটোৱে তাৰ মাকৰ গাৰ কাপোৰবোৰ খুলিছে। নাই, সি আৰু চাই থাকিব নোৱাৰে।

এদিন, দুদিন নহয়, সদায় মাকৰ ওচৰলৈ এনেকুৱা অচিনাকি মানুহ আহে। কোনোবা এটা মানুহ ঘৰৰ ভিতৰত সোমালেই মাকে তাক বাহিৰলৈ ওলাই যাবলৈ কয়। মাকক সি সুধিলে মাকে কয়, ডাঙৰ মানুহৰ কথা এইবোৰ। তই জানিব নালাগে। আগতে সি এইবোৰ ভালেই পাইছিল। সেই সময়খিনিত সি বাহিৰলৈ গৈ খেলেগৈ। সি এদিন নগ'ল। মাকে ভিতৰত সোমাই থকা মানুহটোৰ সৈতে কি কথা পাতে, সি বেৰৰ ফাঁকেৰে কাণ পাতি শুনিলে। দুই-এবাৰ মাকৰ চিৎকাৰ তাৰ কাণত পৰিল। ডাঙৰ মানুহৰ কি কথা এইবোৰ? সি যেন বুজিয়েই পোৱা নাই। সেইদিনা ৰাতি মাকক সোধাত মাকে ৰুদ্ৰচণ্ডী মূৰ্তি ধৰি তাক গুৰুলা-গুৰুলকৈ পিটিলে। তেতিয়াৰ পৰা সি বেৰত কাণ দি কথা নুশুনা হ'ল।

মজৰুল তাতকৈ কেইবছৰমান ডাঙৰ। দুই-নম্বৰী, ভাল-বেয়া সকলো কথা জানে সি। উছমানে এদিন তাক এইবিষয়ে সুধিলে। মজৰুলে খুব হাঁহিলে।

"আৰ, তোৰ মা একটা বেশ্যা।"

উছমানে বুজি নাপালে।

"দেখ, তগৰে বাৰীতে না মানুচ আইছে ,সেইগুনা তগৰে কাষ্টমাৰ। তোৰ মাৰ হে পইচা দেই।"

"এইভি পইচা দেই ?"

"ধুৰ, তোৰ মাৰ সাথে তগৰে কিস্তি -মিস্তি আছে"

"কিস্তি-মিস্তি মানে?"

“বৰো হ'লে চব বুজবা।”

উছমানে সেইদিনা মজৰুলৰ কথাবোৰ বুজি নাপালে।

কিন্তু এতিয়া সি ডাঙৰ হ’ল। মাকক দেউতাকৰ কথা সুধিলে মাকে তাক দেউতাক ক’ৰবালৈ ফুৰিবলৈ গৈছে বুলি কয়। কিন্তু ১৫ বছৰে মাকে তাক দিয়া এই উত্তৰটো যে ভুল সি গম পাইছে। সি মাকৰ এটা জহৰা সন্তান মাথোঁ।

“চৰ অঞ্চলত ব্যৱসায় কৰিবলৈ যোৱা নলবাৰীৰ ব্যৱসায়ীক হত্যা।” (বাতৰি-কাকতত প্ৰকাশিত)

পুলিচে উছমানক বিচাৰি ফুৰিছে। সি মানুহ মাৰিছে। হটঙা মানুহটো সেইদিনা আকৌ আহিছিল। উছমানক সি বাহিৰলৈ ওলাই যাবলৈ ক’লে। সি নগ’ল।

“অ’ই পুতেৰেক বাইহৰোক ওলবা কৌ”

উছমানৰ সহ্য নহ’ল। ডাঙৰ ইটা এটাৰে মানুহটোৰ মূৰটো ফালি পেলালে। গোটেই কোঠাটো তেজেৰে লুতুৰি-পুতুৰি হৈ পৰিল। মাকৰ সৈতে উছমান গুৱাহাটীলৈ পলাই আহিল। কেতিয়াবা মিস্ত্ৰীৰ লগত যোগালী কৰে, কেতিয়াবা ৰিক্সা চলায়।

১০ বছৰত উছমানে গুৱাহাটীৰ সকলো চুক-কোণ চিনি পোৱা হ’ল। গুৱাহাটীৰ বস্তিৰ প্ৰতিজনী বেশ্যা, প্ৰতিটো দালালৰ লগত তাৰ চিনাকি। মাক মৰাৰ পিছত সিও বেশ্যা দালালিত নামি পৰিল।

।। পাঁচ ।।

“একদম টাগড়া মাল বা। বাজাৰ মে চাংগা দাম মিলি। মৰদ হামাৰ সংগে ঠেলা চলৱাত ৰহে। মৰ গেল”

চানু বিহাৰীয়ে চাদা মলি-মলি উছমানক ক’লে।

“কি নাম?”

“ৰহিমা।”

“ক’নে থাকে?”

“উ বগল বালা বস্তি মে ৰেহেলিন। টু বৌল দিহা, ইছমাইল কে চংগে কাম কৰত ৰহি। কাম হৌ যায়, তব কমিছন চাহি।”

“হ’বনি।”

ৰহিমাই নিজে নিজৰ কপালখনত থপৰিয়ায়। কিহৰ কাৰণে তাই উছমানৰ কথাত ভোল গৈ এই নৰককুণ্ডত থিতাপি ল’লে? উছমানে তাইক এই নতুন বস্তিটোলৈ লৈ আহিল। বস্তিত তাইক থাকিবলৈ জুপুৰি এটা দিলে। কাপোৰ চিলাই কৰিবলৈ বুলি কোঠা এটাও বন্দোবস্ত কৰি দিলে। প্ৰথম এমাহমান ঠিকেই চলিছিল। দোকানখনো মোটামুটিভাৱে চলাই তাই দুবেলা-দুমুঠি যোগাৰ কৰি আছিল। কিন্তু উছমানে এদিন তাইক প্ৰস্তাৱ দিলে,

“চিলাই দহান দিয়া কই দিন চলবা? এলদা কিছৰ দহান ও টো দৰাপাৰ”

“কি কাম কৰিমনো উছমান? লিখা-পঢ়া কাম কৰিবলৈ আখৰকেইটা চিনিব পৰাকৈ দু-এশাৰীমানহে পঢ়িলোঁ কেৱল। বাকী, চিলাই কৰাৰ বাহিৰে আৰু কি জানো?”

“দেহন বুবু,আমৰা তেৰা-বেকঁা কথা কোৱা মানুছ না। গেৰেমা বৈইৰা কি কৰে এই মাছে আননে কিন্তু জানলেন ।আপনেৰো একিকৰা লগবো”

“কি ক’লি চুৰৰ বাচ্চা, মই শৰীৰ বেচিবলৈ বেশ্যা নেকি? ওলা ইয়াৰ পৰা ওলা!”

উছমানে ৰহিমাক চুলিকোছাত ধৰি টানি আনিলে,

“চাল্লী, হাৰামজাদী তক কি আমি হনে খিলয় পিন্ধায়া ৰাকমু নেকি? ধৰ্মশালা খুলা ৰাকছা নেকি? যদি সনে বেশ্যাগিৰি নাকৰছ গেৰামে থিকি যাবিগা। ৰাইতে ৰেডী থাকবি ৰুমে। কাষ্টমাৰ আছপো”

উছমান গ'লগৈ...

ৰাতিলৈ তাইৰ জুপুৰিটোলৈ এটা আদমী মানুহ আহিল। তাইৰ সতীত্ব হৰণ কৰিলে। টকা এহেজাৰ দি গ'ল। এইদৰে সপ্তাহত দুই-তিনিটাকৈ তাইৰ ওচৰলৈ কাষ্টমাৰ আহিবলৈ ল'লে। উছমানে কাষ্টমাৰৰ লগত কথা পাতে। বন্দোবস্ত কৰাৰ নামত পইচা লয়। বাকী কাষ্টমাৰে দিয়া পইচাখিনি তাইৰ ভাগৰ।

।। ছয় ।।

"তই মোৰ লগত পলাই যাবিনে?"

"যাম?"

"সঁচাই যাবি?"

"কিয় নাযাম?"

"তোৰ বাপেৰ মান-সন্মান। বাপেকৰ জীয়েক পলাই গৈছে বুলি সমাজত বাপেকৰ বদনাম নহ'বনে?"

"মৰাতকৈ বদনাম হোৱাটো কোনো ডাঙৰ কথা নহয়। সুৰেশ, তোক নাপালে মই মৰি থাকিম অ'।"

"আৰু মই কি জীয়াই থাকিব পাৰিম?"

সুৰেশে এইবুলি পৰীক সাবটি ধৰে।

"আৰু কিমানদিন আমি এনেকৈ ইয়াত থাকিব লাগিব সুৰেশ?" পৰীয়ে সুৰেশৰ চুলিকোছাত আলফুলকৈ হাত বুলাই তাক সুধিলে।

"কিয় চিন্তা কৰিছ তই? মই কাম বিচাৰি ফুৰিছোঁ, কাম এটা পালেই আমি এই বস্তিৰ পৰা ওলাই গৈ ভাল ৰুম এটাত থাকিম, য'ত থাকিম কেৱল তই আৰু মই।"

“সুৰেশ, ঘৰৰ পৰা লৈ অহা পইচাবোৰ শেষ হৈ আহিছে। সোনকালে কাম এটা বিচাৰ। নহ’লে আমি কি খাম?”

“তই সেইবোৰ ভাবিব নালাগে। মই মেনেজ কৰিম চব।”

সুৰেশে পৰীৰ ওঁঠত চুমা এটা খালে। তাৰ পিছত তাইক নিজৰ বুকুৰ মাজত সুমুৱাই ল’লে।

আজি এসপ্তাহ হ’ল। কাম বিচাৰি ওলাই যোৱা সুৰেশ এতিয়াও উভতি অহা নাই। পৰীয়ে এই এটা সপ্তাহ অতি সংকাৰে কটাইছে। তাই জানে, এই বস্তিত কি কাৰবাৰ চলে? ৰিক্সা, ঠেলাৱালা থকা এই বস্তিটোত তাই প্ৰায় চুট-টাই পৰিহিত ব্যক্তি অহা দেখে। তাই এই বিষয়ে সুৰেশক সুধিছিল, ঠেলাৱালা, ৰিক্সাৱালা থকা বস্তিলৈ কি কামত ইমান ডাঙৰ মানুহবোৰ আহে? সুৰেশে কথাটো উৰাই দিলে। কিন্তু তাই এদিন আৱিষ্কাৰ কৰিলে যে বস্তিটো পতিতালয়ৰ বাহিৰে আন একো নহয়। তাইৰ সুৰেশলৈ খুব খং উঠিছিল। কিয় ইমান এখন বেয়া ঠাইলৈ তাইক থাকিবলৈ লৈ আহিছে? সুৰেশে তাইক কৈছিল, এই চহৰত এইখিনি ঠাইতকৈ ইমান কম ভাড়াত সিহঁতি ক’তো ভাড়াঘৰ নাপায়। পইচাৰ নামত সিহঁতৰ ওচৰত কেৱল তাই ঘৰৰ পৰা চুৰ কৰি লৈ অহা পইচাকেইটাহে আছে। সি তাইক আশ্বাস দিছিল, সি কিবা এটা চাকৰি পালেই সিহঁতি ইয়াৰ পৰা গুচি যাব।

তাই দুটা দিন লঘোণে আছে আৰু এটা দিন লঘোণে থাকিবলগা হ’লে তাই কিজানি মৰিয়েই থাকিব। কিন্তু তাই কৰিবই বা কি? ঘৰৰ পৰা চুৰ কৰি অনা সকলোখিনি পইচা শেষ। কাৰোবাক কিবা এটা খুজিবলৈও বস্তিত চিনাকি বুলিবলৈ কোনো নাই।

তাই ভগ্ন দেহাৰে বিচনাৰ পৰা কোনোমতে উঠি গৈ দুৱাৰখন খুলিলে।

“আপুনি?”

“আমি উছমান। সুৰেশৰে বন্ধু। আপনাক একতা কথা কৈবৰ আছিলাম।”

পৰীয়ে বস্তিৰ প্ৰায়খিনি মানুহে এইধৰণৰ অদ্ভুত ভাষাতে কথা পতা শুনিছে। ভাষাটো তাই একেবাৰে বুজি নাপায়। কিন্তু উছমান নামৰ মানুহটো যে ইমানদিনে তাইৰ ওচৰলৈ অহা নাই, সেই কথাও বুজি পাইছে।

"কিবা কামত আহিলে বোধহয়? পিছে, সুৰেশ নাই, এমাহমানেই হ'ল গ'ল। কিবা কামত ওলাই গৈছে। আপুনি জানেনে সি ক'ত আছে?" পৰীয়ে উছমানক সুধিলে।

"আমি জানি না।"

উছমানে জেপৰ পৰা কাগজত বান্ধি অনা ৰুটিকেইখন উলিয়াই পৰীৰ হাতত দিলে।

"খায় নিয় ৰুটি টা। আপনে মনে হয় মেলা দিন থিকা কিছু খান না। আমি আবৰ আছমু। এহুন জাই তালি।"

উছমান গ'লগৈ।

পৰীয়ে ৰুটিকেইখন খালে। সুৰেশ আৰু ঘূৰি নাহিল। এই নৰককুণ্ডত তাইক অকলে এৰি থৈ সি গুচি গ'ল।

পৰীয়ে এই চহৰত কাকো চিনি নাপায়। ইয়ালৈ অহাৰ পৰা তাই কেৱল বস্তিৰ কোঠাটোতে সোমাই আছে। তাই কি কৰি খাব? কেনেকৈ পেটটো পূৰাব? পেটৰ তাড়নাত পৰি তাই অৱশেষত বাছি ল'বলৈ বাধ্য হ'ল, মহিলাৰ পৃথিৱীৰ আটাইতকৈ প্ৰাচীন বৃত্তিটো। সুৰেশে কিয় তাইক এই ঠাইলৈ থাকিবলৈ আনিছিল? কিয় কোনো চিনা-জনা নথকা উছমানে তাইক ৰুটি খাবলৈ দিছিল, তাইৰ আৰু বুজিবলৈ বাকী নাথাকিল।

সুৰেশে তাইক বেচিলে। উছমানে এতিয়া তাইৰ শৰীৰক লৈ দৰ-দাম কৰিব। কাষ্টমাৰ আহিব, উছমানে কমিছন ল'ব।

এই ৫ বছৰত তাইৰ ওচৰলৈ কিমান কাষ্টমাৰ আহিল তাই হিচাপ ৰখা নাই। এই বস্তিত তাইৰ ৰেট আটাইতকৈ বেছি। তাইৰ কাষ্টমাৰ কোনো ৰিক্সাৱালা, ঠেলাৱালা নহয়। পুলিচ বিষয়া, প্ৰশাসনিক বিষয়া, ৰাজনীতিবিদ, ব্যৱসায়ী, সমাজৰ বৰমূৰীয়াসকলেই তাইৰ ৰেগুলাৰ কাষ্টমাৰ। দেউতাকৰ ইচ্ছা আছিল, এদিন তাইক প্ৰশাসনিক বিষয়া হিচাপে গঢ়ি

তোলাৰ। কিন্তু তাই যেতিয়া সমাজৰ এই বিষয়াসকলৰ মুখাৰ আঁৰত থকা বীভৎস ৰূপটো দেখা পায়, তাইৰ ঘৃণা লাগে। গাঁৱৰ সহজ-সৰল শিক্ষক দেউতাকে চাগে নাজানিছিল, এই উচ্চ পদবীৰ মানুহবোৰে ৰাতি হ'লে ভদ্ৰতাৰ মুখাখন খুলি নিজৰ জন্তুৰ ৰূপটো ধাৰণ কৰে। জনা হ'লে তেওঁ নিজৰ ছোৱালীক সেইখন সমাজৰ অংশ হোৱাটো কেতিয়াও নিবিচাৰিলেহেঁতেন।

।। সাত ।।

“কি? ওৰা ছালা বস্তিত আছলি বেশ্যাৰ ছতে শুয়া বাইচা আৰু এহুন ওৰা.....”

“হেল্ল, চেনো, কহন কহন হ'ব কামটা।”

“গুৱামাৰি!!”

“উ কা বৌলত? সঁচ মে হেই ক্যা?”

“ছালা, চব চুৱৰ বাচ্চা, আইসে উচ্ছেদ কৰবাৰ,কি কৰি চাইয়া থাইকা ওগৰে।”

ৰহিমাই ঠিকেই শুনিছে। উচ্ছেদ, সিহঁতি উচ্ছেদৰ কথাকে পাতি আছে। উহমানে চানু বিহাৰীক উচ্ছেদৰ কথাকে কৈছে। কিন্তু ক'ত? সিহঁতৰ বস্তিত? উহমানে কিয় ইমান খঙেৰে কৈছে, সিহঁতক চাই ল'ব বুলি!!

“পৰী, পৰী দুৱাৰখন খোল।”

“আৰে, ৰহিমা দিদি ইমান ৰাতি কিবা দৰকাৰ আছিল নেকি?”

“বৰ ডাঙৰ কথা এটা হৈছে পৰী।”

“কি?”

“উচ্ছেদ হ'ব আমাৰ বস্তিত।”

“কি? কেতিয়া?”

“সেইবোৰ মই একো নাজানো। মোৰ ৰুমৰ কাষতে চানু বিহাৰী আৰু উছমানে কথা পাতি আছিল। মই কথাখিনি ইমান ভালকৈ ধৰিব নোৱাৰিলোঁ। কিন্তু মোৰ সন্দেহ এই উচ্ছেদ আমাৰ বস্তিতে হ’ব।”

“ৰহিমা দিদি, মোৰ বৰ ভয় লাগিছে। কি হ’ব এতিয়া?”

“মইনো কি কৰিম? এতিয়া চব আল্লাহৰ ভৰসা।”

“দিদি, কথা এটা কওঁ আপোনাক।”

“ক।”

“মোক উছমানে নামী কাষ্টমাৰ দুটামান আনি দিব কৈছিল। মই ভাবি আছিলোঁ, সিহঁতৰ পৰা পইচা পালে মই এই নৰকৰ পৰা ওলাই যাম আৰু ক’ৰবাত ঘুমতি এখন দি কেনেবাকৈ চলি থাকিম। এতিয়া যদি বস্তি ভাঙি দিয়ে ক’ত যাম মই? কি কৰিম?”

পৰীয়ে কান্দি-কান্দি ৰহিমাক সাবটি ধৰিলে।

“আমাৰ এইবোৰ কপাল নহয় বুজিছ। হে আল্লাহ, আমাৰ ওপৰত অলপ মেহেৰবান হোৱা।”

পিছদিনা ৰাতিপুৱা উছমান, চানু বিহাৰীসহ বস্তিত বাস কৰা মতা-তিৰোতা সকলো ওলাই আছিল।

“আমি তগৰে বস্তি ভঙবাৰ দিমুনা” উছমান চিঞৰি উঠিল।

“গভৰ্ণমেণ্টৰ অৰ্ডাৰ। বস্তি পাতি তহঁতে অবৈধভাৱে চৰকাৰী মাটি দখল কৰি আছা। বস্তি ভাঙি এই মাটি চৰকাৰে বাজেয়াপ্ত কৰিব।”

“আমৰা এনা চৰকাৰ-তৰকাৰ চিনি না। বস্তি ভাঙা পাৰবিনা তৰা।”

“চৰকাৰী কামত বাধা দিলে আমি তোক গ্ৰেপ্তাৰ কৰিবলৈ বাধ্য হ’ম।”

উচ্ছেদ কৰিবলৈ অহা বিষয়াজনে ক’লে।

“এ বাদ দে। তগৰে কত অফিছাৰ দৈইলি হেনে বেশ্যাৰ সতে শুইবাৰ আইছে ।সেইটা অবৈধ কাম না নাকি? যদি হই, তালি আইছিলো জে ওৰা ?”

“মোৰ তহঁতৰ লগত চুপতি মাৰিবলৈ সময় নাই।”

“অ’ই চলা। কাম নাথামাবি।”

বিষয়াজনে বুলড’জাৰ চলোৱা চালকজনক নিৰ্দেশ দিলে।

বুলড’জাৰৰ কোবত দুটাকৈ জুপুৰি খহি পৰিল।

“হমাৰ ঘৰৱা টুড় দেহলছ।” চানু বিহাৰীয়ে চিঞৰিলে।

সি শিলগুটি এটা লৈ বুলড’জাৰৰ চালকজনৰ ফালে দলিয়াই দিলে। শিলগুটিটো মূৰত পৰি চালকজনৰ মূৰৰ পৰা তেজ ওলাবলৈ ধৰিলে। তাত উপস্থিত বাকীসকলেও চানুক দেখি উচ্ছেদ চলাবলৈ অহা দলটোক শিলাবৰ্ষণ কৰিবলৈ লাগিল। উচ্ছেদ কৰিবলৈ অহা দলটো পিছুৱাই গ’ল। বস্তিৰ সকলোৱে বিজয়োল্লাস কৰিলে।

এইবাৰ ২ ঘণ্টামান পিছত পুলিচৰ ফ’ৰ্চসহ উচ্ছেদকাৰী দলটো আহিল। উছমানৰ ধৈৰ্যচ্যুতি ঘটিল। সি দেগাৰ এখন লৈ গৈ পুলিচ এজনৰ পেটত সুমুৱাই দিলে। বস্তিৰ বাকীসকলেও লাঠি-জোং লৈ পুলিচক আক্ৰমণ কৰিলে। পুলিচে এফালৰ পৰা লাঠি-চাৰ্জ কৰিলে।

কি মতা, কি মাইকী সকলোকে। পুলিচৰ লাঠি-চাৰ্জত উছমান অতি বেয়াকৈ আঘাতপ্ৰাপ্ত হ’ল।

ৰহিমাই বেগেৰে দেখিলে, উছমান অৰ্ধমৃত অৱস্থাত মাটিত পৰি আছে। ইতিমধ্যে উচ্ছেদকাৰী দলটো উভতি গৈছিল। কাইলৈ সিহঁতি আকৌ আহিব। চানু বিহাৰীৰ জুপুৰিটোৰ নিচিনাকৈ ৰহিমা আৰু পৰীৰ জুপুৰিটোও ভাঙি থৈ যাব।

“পৰী? ক’ত গ’ল তাই? ৰাতিপুৱাৰ পৰা দেখা নাই তাইক।”

ৰহিমা পৰীৰ কোঠাটোলৈ সোমাই গ’ল। হাত দুখন মেলি তাই বিচনাখনত পৰি আছে। মুখেৰে ফেন ওলাই আছে। ৰহিমাই তাইৰ নাকটোৰ ওচৰলৈ হাতৰ আঙুলিটো নি চালে। নাই, তাই উশাহ লোৱা নাই।

পৰী মৰিয়েই থাকিল। এই নৰককুণ্ডৰ পৰা তাই ওলাই যাব নোৱাৰিলে।

উছমান তেতিয়াও তেজেৰে লুতুৰি-পুতুৰি হৈ মাটিত পৰি আছে। ৰহিমাই এই দিনটোৰ বাবে বৈ আছিল।

“চাল্লা, চুৱৰ বাচ্চা, তই ইয়াৰে লায়েক। মোৰ, পৰীৰ দৰে কিমানৰ জীৱন তই ধ্বংস কৰিলি?”

ৰহিমাই তাৰ মুখখনত থুৱাই দিলে। তাই হুকহুকাই কান্দি মাটিত বহি পৰিল।

উছমান মাটিত পৰি থাকিল।

উছমান একেবাৰে গ’লগৈ....

।। সমাপ্ত ।।

দ্ৰষ্টব্য: ধুবুৰী, গোৱালপাৰা আদি ঠাইত থলুৱা ভাষাত বস্তিক "গেৰাম" বুলি কোৱা হয়।

কৃতজ্ঞতা স্বীকাৰ

মঃ ছতিউৰ ৰহমান।

তৃতীয়
পুৰস্কাৰ
এনেকৈয়ে
ভাগেনে সপোন
নৰেন শইকীয়া

এনেকৈয়ে ভাগেনে সপোন

নৰেন শইকীয়া

তৃতীয় পুৰস্কাৰ

এচেৰেঙা সুৰ্যোদয়ৰ সোণালী কিৰণ গৱাক্ষয়দি আহি যামিনীৰ চকুত পৰিছে। নৰাৰ চালি খনৰ মুখত পাৰি দহিকতৰা চৰাই হালৰ করুণ কাকূলিয়ে যামিনীক জগাই তুলিলে। অস্বস্তিৰে চকুৰ চামনি মচি দীঘল কৈ হুমুনিয়াহ এটা কাঢ়ি ঈশ্বৰৰ নাম লৈ যামিনীয়ে ঢাৰি পাতি এৰিলে। যামিনীয়ে জুহালৰ পৰা এঙাৰ এডোখৰ আনি বাঁহৰ চুঙাটোৰ পৰা নিমখ অলপ মান উলিয়াই লৈ দাঁত কেইটা মাজি মাজি কুৰু কুৰুকৈ ৰুণ দি থকা পাৰ চৰাইৰ সজাঁটোত চকু ফুৰালে। কিন্তু হাটত বিক্ৰী কৰিবৰ জোখাৰে সজাঁটোত পাৰৰ পোৱালি এটাও নেদেখিলে ।

পুহমহীয়া যিহে হাড় কঁপোৱা ঠাণ্ডা। তথাপিও দাঁতে ওঠে লগা জাৰকো আওকাণ কৰি যামিনীয়ে কুৱাৰ পৰা পানী তুলি গাটো তিয়াই কৃষ্ণৰ ফটোখনত ধুপডাল দি তাইৰ একমাত্ৰ পুত্ৰ প্ৰীতমক টোপনিৰ পৰা জগাই কাম

বিচাৰি ঘৰৰ পৰা ওলায় গ'ল। বেচেৰী যামিনীয়ে নকৰিলেও নহয়। স্বামীৰ অকাল মৃত্যুৰ পিছত তাইয়ে ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী।

নিয়তিৰ কি যে নিষ্ঠুৰ পৰিহাস। ইমান ধুনীয়াকৈ তেওঁলোকৰ তিনিওটা প্ৰাণীৰে সৈতে সুখৰ সংসাৰখন চলি

গৈছিল। কিন্তু এষাৰ কথা আছে যে বিধিয়ে দিলেই নহ'ব, বিধাতাইও দিব লাগিব। সৌ সিদিনা খন আন দিনৰ দৰে কাম শেষ কৰি যামিনীৰ স্বামীয়ে ঘৰৰ অভিমুখে ৰাওনা হৈছিল কিন্তু ঘৰ আহি নাপালেহিয়েই আধা বাটতে তীব্ৰ

বেগী ট্ৰাক এখনে তেওঁক মহতীয়াই পেলালে। হস্পিতাললৈ নিয়া হৈছিল যদিও তেওঁ আধা বাটতে নিয়তিৰ ওচৰত

হাৰ মানিলে। স্বামীৰ মৃত্যুত যামিনী আউলি বাউলী হৈ মাথোঁ একমাত্ৰ পুত্ৰক বুকুৰ মাজত সাৱতি হিয়া ঢাকুৰি

কান্দিলে মাথোঁ কান্দিলে।

পথ দুৰ্ঘটনাত পতিত স্বামীৰ অকাল বিয়োগৰ পাছত নানা দুখ কষ্টৰ মাজেৰে অৱহেলিত যামিনীয়ে মানুহৰ ঘৰত বন কৰি দুই এপইচা আৰ্জি একমাত্ৰ পুত্ৰ প্ৰীতমক মানুহ কৰাৰ স্বাৰ্থত বুকৃত এচপৰা গধুৰ শিল বান্ধি ল'লে মৃত্যুৰ আগমুহূতত যামিনীৰ স্বামীয়ে তাইক কৈছিল," আমাৰ সোণটোক মই ডাক্তৰ হিচাপে প্ৰতিষ্ঠিত কৰিম চাবা।"

স্বামীৰ অন্তিম ইচ্ছাক গভীৰ প্ৰত্যাহ্বান হিচাপে মানি তাই অকলেই সংগ্ৰাম কৰি গৈছে।তাই নিজেই নাজানে তাইৰ জীৱনটো কোন দিশে গতি কৰিছে। তাই অকলশৰীয়া বিধৱা তিৰোতা দেখি এচাম পৈশাশিক মুখা পিন্ধা দানৱে তাইক যেন সুবিধা ল'ব খুজিছে। বাৰি তিৰোতা হোৱা হেতুঁকে তাইক ভদ্ৰতাৰ মুখা পিন্ধা বোৰে ৰাতি আন্ধাৰৰ সুযোগ বুজি টকাৰ প্ৰলোভন দেখুৱাই নিজৰ অভীষ্ট কামনা পুৰাবলৈ তাইৰ ওচৰলৈ আহে। গিৰিয়েকটো জীয়াই থকা অৱস্থাত কিন্তু তেওঁলোকৰ খা-খবৰ ল'বলৈ কোনো অহা নাছিল।

কোনো ধৰণৰ কপটতাৰ ভাৱ নথকা সহজ-সৰল যামিনীয়ে পৈশাশিক দানৱবোৰৰ কথাত অলপো গুৰুত্ব নিদি মাথো সিহঁতক প্ৰত্যাখ্যান কৰে।

দণ্ড পল অনুপলকৈ চিৰ প্ৰৱাহিত বোৱঁতী নদী সুঁতিৰ দৰে সময়বোৰ পাৰ হ'ল।

প্ৰীতম বৰ্তমান হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰাৰ্থী। পঢ়া-শুনাত সি এজন মেধাৰী ছাত্ৰ হিচাপে পৰিচিত হৈ আহিছে। সি গল্প, প্ৰবন্ধ, নাটক, কবিতা আদি লেখা-মেলা কৰে। ইতিমধ্যে তাৰ লেখা আলোচনী আৰু বাতৰি

কাকতত প্ৰকাশ পাইছে।

দিন পাৰ হৈ যোৱাৰ লগে লগে প্ৰীতমৰ পৰীক্ষা ওচৰ চাপি আহিছে। ছাত্ৰানং অধ্যয়নং তপঃ - এই কথাষাৰৰ

মূল মন্ত্ৰ হিচাপে লৈ সি কষ্টৰে পঢ়া-শুনা কৰিবলৈ ধৰিলে। মাকৰ ত্যাগ আৰু কষ্টবোৰ সাৰ্থক কৰি তুলিবলৈ সি প্ৰতিশ্ৰুতিবদ্ধ হৈ পৰিল। লগৰবোৰ টিউচন কৰিবলৈ যাওঁতে সি মনে মনে ভাবে তাৰো এটা টিউচন থকাহেঁতেন।

কেতিয়াবা সি নুবুজা অংকবোৰ শিক্ষকক সুধি লয়, শিক্ষকেও তাৰ অনুসন্ধিৎসু মনৰ উমান পাই অংকবোৰ

বাৰে বাৰে বুজাই দিয়ে। মাকে তাৰ কষ্টবোৰ উপলব্ধি কৰি মনে মনে দোষী যেন অনুভৱ কৰে। কাৰণ এগৰাকী মাতৃ

হিচাপে সন্তানক যিমানখিনি সুবিধা দিব লাগিছিল, সিমানখিনি দিবলৈ যামিনী যে অসমৰ্থ।

নিৰ্ধাৰিত দিনত প্ৰীতমৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হ'ল। প্ৰীতমক কিন্তু পৰীক্ষাৰ শুভেচ্ছা দিবলৈ অন্য

কোনো ব্যক্তি সিইতৰ ঘৰলৈ নাহিল। তেতিয়া প্ৰীতমে অনুভৱ কৰিলে যে ধনী আৰু দুখীয়াৰ ব্যৱধানে সঁচাকৈয়ে

মানুহক স্বাৰ্থপৰ কৰি তুলিছে। এনেকৈয়ে প্ৰীতমৰ সকলো পৰীক্ষা ভালদৰে পাৰ হৈ গ'ল।

অৱশেষত তাৰ ফলাফল ওলাল। প্ৰীতমে সমগ্ৰ অসমৰ ভিতৰতে শীৰ্ষৰ অষ্টম স্থান দখলেৰে জিলাৰ লগতে

বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিলে। পুত্ৰৰ সফলতাৰ বাবে আজি যামিনীৰ নিৰলা পঁজাটোত আনন্দৰ সীমা নধৰা হৈছে। বিদ্যালয়ৰ শিক্ষকসকলৰ লগতে ওচৰৰ বহুতো লোকে প্ৰীতমক অভিনন্দন জনালেহি। বহুতৰ দিহা-পৰামৰ্শৰ অন্তত প্ৰীতমে বিজ্ঞান শাখাত নামভৰ্তি কৰিলে।

দুটা বছৰৰ পাছত আকৌ সুখ্যাতিৰে উত্তীৰ্ণ হৈ গাঁওখনলৈ গৌৰৱ কঢ়িয়াই আনিলে। তাৰ পাছত ক্ৰমে ক্ৰমে বি.এছ.ই আৰু এম.এছ.ই ডিগ্ৰীত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি এম.বি.বি.এছ ডিগ্ৰী সম্পূৰ্ণৰূপে পৰিসমাপ্তি

কৰি তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত এজন মেডিচিন বিশেষজ্ঞ হিচাপে স্বীকৃতি লাভ কৰিলে।

অৱশেষত দয়াময় ঈশ্বৰে অভগা যামিনীৰ অ'ত দিনৰ ত্যাগ কষ্টৰ লগতে গিৰিয়েকৰ অন্তিম ইচ্ছা পুৰণ কৰিলে।

সকলোবোৰ গতি লগাৰ পাছত যামিনীৰ মনলৈ এক নতুন চিন্তা আহিল....। পুত্ৰৰ বিবাহৰ বাবে এগৰাকী উপযুক্ত

কন্যা বিচাৰি ওলিওৱা। যামিনীয়ে যাকে লগ পালে তাকে পাচিলে। যিহেতু সকলো মাকেই আশা কৰে বোৱাৰীৰ হাতেৰে এটুপি পানী, এমুঠি ভাত খাবলৈ পাব। যামিনীয়ে অ'ত ত'ত খবৰ কৰি অৱশেষত প্ৰীতমৰ বাবে এজনী

উপযুক্ত ছোৱালী বিচাৰি উলিয়ালে। মাকৰ একান্ত বাধ্য প্ৰীতমে মাকৰ পচন্দৰ মতে বিবাহ কৰাবলৈ সাজু হয়। দুয়োখন ঘৰৰ মাজত কথা আগবাঢ়িল। আৰু অতি কম দিনৰ ভিতৰতে বিবাহৰ দিন ধাৰ্য কৰিলে।

সকলোবোৰ যামিনীয়ে ভবা ধৰণে হৈ গৈছিল। কিন্তু এষাৰ কথা আছে নহয় বিধিৰ বিধান কোনেও খণ্ডাব নোৱাৰে।

সৌ সিদিনা প্ৰীতমে দৰা সাজ পিন্ধিবলৈ লৈছিল হে মাত্ৰ হঠাৎ হস্পিতালৰ পৰা তালৈ এটা অচিনাকী নম্বৰৰ পৰা ফোন কল আহিল-

: হেল্প.. ছাৰ মোৰ মাৰ অৱস্থাতো অলপো ভাল নহয় মোৰ মাক বচাওক ছাৰ। নহ'লে মোৰ মা...!

কথাকেইষাৰ যুৱক জনে কোনো ৰকমে কৈ শুক শুকাই কান্দি উঠিল। যুৱকজনৰ কথা শুনি প্ৰীতমে নিজৰ কথা

পাহৰি পেলালে তাৰ যে আজি বিয়া। সি মাৰ্থো তাক সান্তনা দিলে -

: তুমি নাকান্দিবা। তোমাৰ মাৰ একো নহয়। মই আছো নহয়। ধৈৰ্য ধৰা,ভগৱানৰ ওপৰত বিশ্বাস ৰাখা।

বিয়া ঘৰত আলহী অতিথিয়ে অনেক এটা কথা ক'লে-

“বৰ একেবাৰে মানৰ সেৱা কৰিব আহিছে, ধৰ্ম ৰাজ দেখুৱাইছে। নিজৰ বিয়াৰ দিনাও কামৰ আহৰি নাই নে আচৰিত…! অনেকে বুবু বা বা কৰিছে।

মাকে তাক শপত দি ও ৰখাব নোৱাৰিলে।

দেউতাকৰ ফটোখনেও মজিয়াত পৰি তাক শুভমুহুৰ্তত ঘৰৰ পৰা বাহিৰ নহ'বৰ ইংগিত দিছিল। কিন্তু পৰোপকাৰি আনৰ দুখ সহ্য কৰিব নোৱাৰা প্ৰীতমে সঠিক সময়ত হস্পিতালত উপস্থিত হৈ যুৱক জনৰ মাকৰ জীৱন বচালে।

যুৱক জনে প্ৰীতমৰ চৰণত আঠু লৈ সেৱা জনালে।

সকলোবোৰ ঠিকেই আছিল হঠাৎ কাণ তাল মাৰি যোৱা শব্দত হস্পিতালৰ চৌহদৰ লগতে ওচৰৰ ঘৰ দুৱাৰ

দোকান পোহাৰ বোৰত এক আতংকময় পৰিৱেশৰ সৃষ্টি হ'ল আৰু যাৰ ফলত সকলোবোৰ মুচ্ছা গ'ল। সেই কাণ

তাল মাৰি যোৱা শব্দটো আন একো নহয় এইয়া এটা বোমা বিস্ফোৰণ। সেই বোমা বিস্ফোৰণতেই ক্ষত-বিক্ষত হৈ

গ'ল প্ৰীতমৰ সৰ্ব শৰীৰ। মুহুৰ্ততে প্ৰাণ বায়ু উৰি গ'ল।

হঠাৎ যেন এই কথা শুনি প্ৰীতমৰ ঘৰত বিয়াৰ বাবে উদুলি - মুদুলি হৈ থকা পৰিবেশটো কাঁহ পৰি জীণ যোৱাৰ দৰে মৌন হৈ পৰিল। খবৰটো পাই যামিনী আউলী- বাউলী হৈ উধাতু খাই ধপলিয়াই আহিলে সেই নিদিষ্ট স্থানলৈ।

মৰাশবোৰৰ মাজৰ পৰা প্ৰীতমৰ নিথৰ মৃতদেহটো বিচাৰি উলিয়ালে। পুতেকৰ এনে এক মৰ্মস্পৰ্শী শৰীৰটো দেখি

যামিনী কান্দি কাটি অচেতন হৈ মুচ্ছা গ'ল।

দুদিনৰ অন্তত যামিনীৰ চেতনা আহিল। বেৰত আঁৰি থোৱা নিমাত নিথৰ পতি পুত্ৰৰ ফটো দুখনত এবাৰ চকু ফুৰালে আৰু শেষত ক্ৰোধত অভিমানত নে শোকত দয়াময় ঈশ্বৰৰ ফটোখনলৈ মৌন হৈ মাথো অপ্ৰাপ্তিৰে

একেথৰে চাই ৰ'ল....।

প্ৰবন্ধ

সাম্প্ৰতিক সময়ৰ জটিল সন্ধিক্ষণত নৱ-প্ৰজন্মৰ সপোন আৰু হতাশাঃ

প্ৰথম পুৰস্কাৰ

লেখক: অভিৰাজ দত্ত

অভিৰাজ দত্ত

ভাৰতবৰ্ষৰ বিশিষ্ট বিজ্ঞানী তথা প্ৰাক্তন ৰাষ্ট্ৰপতি “মিছাইল মেন” ড° এ. পি. জে. আব্দুল কালামে সপোন (Dream) সম্পৰ্কত কৈছিল, “Dream is not that you see in sleep. Dream is something that does not let you sleep.”

অৰ্থাৎ, “সপোন এনেকুৱা নহয় যে আপুনি টোপনিত দেখা পায়। সপোন এনেকুৱা এটা বস্তু যিয়ে আপোনাক শুবলৈ নিদিয়ে।”

কালামদেৱৰ এই মহান বাণীয়ে প্ৰতিপন্ন কৰে যে কোনো কাৰ্যত কৃতকাৰ্যতা হ’বলৈ হ’লে আমি সপোন দেখিব লাগিব আৰু সেই সপোন পূৰাবলৈ হ’লে আমাক কৰ্মস্পৃহা (Enthusiasm for work) লাগিব।

এইখিনিতে বিশ্ববিখ্যাত ইটালীয়ান সংগীতজ্ঞ আৰু সুৰকাৰ গিয়াছেপে ভাৰ্ডিয়ে কৰ্মস্পৃহা সম্পৰ্কে আগবঢ়োৱা এটি মননশীল মন্তব্য আগবঢ়াব বিচাৰিছোঁ। যেতিয়া এবাৰ এজন সাংবাদিকে তেখেতক “আপোনাৰ এই অতুলনীয় কৃতকাৰ্যতাৰ ৰহস্য কি?” বুলি প্ৰশ্ন কৰিছিল, তেতিয়া ভাৰ্ডিয়ে উত্তৰত কৈছিল, “ৰহস্য-তহস্য মই একো বুজি নাপাওঁ। কিবা ৰহস্য আছে বুলিও মই নাভাৱোঁ। মাত্ৰ এটা কথাই মই জানো যে মই যেতিয়া যি কাম কৰোঁ, তেতিয়া কেৱল সেইটো কামতে মই মোৰ সমগ্ৰ মন-প্ৰাণ ঢালি দিওঁ। উদাহৰণস্বৰূপে এটি নতুন সুৰ সৃষ্টিৰ কামত মই যিধৰণৰ অখণ্ড মনোযোগ দিওঁ, ঠিক তাৰ সমান মনোযোগ দিওঁ এটা সৰু কাম কৰোঁতেও। মই সকলো কামৰ পৰাই সমান আনন্দ লাভ কৰোঁ।”

প্ৰায় এশ বছৰৰো আগতে ভাৰ্ডিয়ে কোৱা এই কথাষাৰে বৰ্তমান সময়ত কিছু যথেষ্ট তাৎপৰ্য বহন কৰিছে, বিশেষকৈ নৱ-প্ৰজন্মৰ মাজত। কিয়নো, যি সময়ত বৰ্তমান প্ৰজন্ম সামাজিক মাধ্যম, যৌনগন্ধী মানসিকতা, উচ্ছৃংখলতা আদিত অভ্যস্ত হৈ দিগ্‌বিদিগ্ হেৰুৱাই কৰ্মবিমুখতা, হতাশা আৰু কৰ্মস্পৃহাহীনতাৰ দিশে গতি কৰিছে, তেনে সময়ত ভাৰ্ডিৰ এই কথাষাৰে নৱ-প্ৰজন্মৰ মাজত মানসিক ঔষধৰ দৰে কাম কৰিব বুলি বোধ হয়।

ভাৰ্ডিৰ দৰে এজন ব্যক্তি, যি জীৱনৰ সৰু কাম এটা কৰিও আনন্দ উপভোগ কৰিছিল আৰু সেই কামটো কৰিবলৈ দেহ-মন সপি দিছিল, তেনে স্থলত কিছু বৰ্তমান প্ৰজন্মৰ মাজত সেই কৰ্মস্পৃহাৰ মানসিকতা দেখা নাযায়। তাৰ পৰিৱৰ্তে তেওঁলোকৰ মাজত “হতাশা” নামৰ এক মানসিক বিভ্ৰান্তিহে দেখা গৈছে।

আজিৰ তাৰিখত নতুন প্ৰযুক্তিৰ লগে লগে জীৱনটো উন্নত আৰু আৰামদায়ক কৰি তোলা বিভিন্ন আৱিষ্কাৰৰ সৃষ্টি হৈছে। এইসমূহৰ ভিতৰত সংবাদ মাধ্যমো অন্যতম। সংবাদ মাধ্যম হৈছে এনে এটি বিষয়, যাৰ জৰিয়তে বহু তথ্য লাভ কৰিব পাৰি আৰু মানুহে ঘৰতে বহি পৃথিৱীৰ বিষয়ে জানিব পাৰে।

“মিনিটৰ অন চাইক’লজি”ৰ মতে, “নৱ-প্ৰজন্মৰ মাজত হতাশাৰ কাৰণ হৈ পৰিছে সংবাদ মাধ্যম।” আমোদজনক আৰু মনোৰঞ্জনমূলক অনুষ্ঠানেই সৰুতেই ছাত্ৰ-ছাত্ৰীৰ বাবে এক ডাঙৰ বাধাৰ সৃষ্টি কৰিছে। সংবাদ মাধ্যমে অত্যধিক বিক্ষিপ্ততা প্ৰদান কৰে। খোৱা-বোৱা, শুই থকা, পঢ়া-শুনা কৰাৰ সময়তো ল’ৰা-ছোৱালীয়ে কাৰ্টুন চাই থাকে। গতিকে, এইদৰে তেওঁলোকৰ মনটো সকলো সময়তে টেলিভিছনৰ ফালে থাকে।

এক গৱেষণাৰ তথ্য অনুসৰি, পাঁচৰ পৰা আঠাইশ বছৰ বয়সৰ শিক্ষাৰ্থীয়ে গড়ে দিনটোত প্ৰায় চাৰে পাঁচ ঘণ্টা সময় টেলিভিছন চাই, ভিডিঅ’ গেম খেলে, ৱেব ছাৰ্ফিং কৰে বা আন কোনো ধৰণৰ মাধ্যম ব্যৱহাৰ কৰি সময় কটায়। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলে স্কুল-কলেজত থকাৰ সময়ত “টেক্সট মেছেজিং”ৰ অভ্যাস গঢ়ি উঠিছে।

আজি ছাত্ৰ-ছাত্ৰীসকলে এহাতে মোবাইল আৰু আনহাতে কিতাপ লৈ বিদ্যালয় বা মহাবিদ্যালয়লৈ যায়। আমাৰ সমাজৰ সকলোতে এই কথা দেখা পোৱা গৈছে। বহু ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় অথবা মহাবিদ্যালয়লৈ যায় কোনো উদ্দেশ্য নোহোৱাকৈ। শ্ৰেণীকোঠাত শিক্ষকে নিৰ্দেশনা দিয়া কোনো বিশেষ বিষয়ৰ প্ৰতি তেওঁলোকৰ মনোযোগ

অভিৰাজ দত্ত

নাথাকে। শিক্ষকৰ কথা শুনাতকৈ তেওঁলোকে “টেক্সট মেছেজিং” অতি গুৰুত্বপূৰ্ণ বুলি ভাবে। বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ মাজত “টেক্সট মেছেজিং” বৃদ্ধি পাইছে আৰু ই যেন এটা আধুনিক “ফেশ্বন”ত পৰিণত হৈছে।

জীয়াই থাকিবলৈ খাদ্যৰ প্ৰয়োজন হোৱাৰ দৰে সদায় মোবাইলৰো প্ৰয়োজন হয়। তেওঁলোক বিদ্যালয় বা মহাবিদ্যালয়ত শাৰীৰিকভাৱে উপস্থিত থাকিলেও মানসিকভাৱে তেওঁলোক কিছু তাত নাথাকে। তেওঁলোকৰ মনটো সংসাৰিক কথাবোৰৰ ওপৰতহে ঘূৰি ফুৰে। “মিনিটৰ অন চাইক’লজি”ৰ মতে, আন ছাত্ৰ-ছাত্ৰীসকলে কৰা “টেক্সট মেছেজিং” চাই বাকীসকল ছাত্ৰ-ছাত্ৰীৰো এই অভ্যাস গঢ়ি উঠে।

ছাত্ৰ-ছাত্ৰীসকলে নিজৰ চৌপাশৰ পৰিৱেশৰ পৰা চাই অধিক কথা শিকে বা বুজে। কেতিয়াবা চাৰিওফালৰ পৰিৱেশে ভাল ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ বিনষ্ট কৰিব পাৰে।

উদাহৰণস্বৰূপে, এজন ভাল ছাত্ৰই লক্ষ্য কৰে যে তেওঁৰ বন্ধুয়ে শ্ৰেণীকোঠাত টেক্সট মেছেজিং কৰাত লিপ্ত হৈ আছে। ফলস্বৰূপে, সেই শ্ৰেণীকোঠাত টেক্সট মেছেজিং কৰা সেই বেয়া অভ্যাসটো ভাল ছাত্ৰজনৰ গাতো দেখা দিব পাৰে, যিয়ে ছাত্ৰজনৰ শৈক্ষিক জীৱনত বাধাৰ সৃষ্টি কৰিব।

টেক্সট মেছেজিং আৰু আধুনিক মাধ্যমে নৱ-প্ৰজন্মক আঘাত হানিছে। সংবাদ মাধ্যমে শিশুৰ মাজত আক্ৰমণাত্মক আচৰণৰ বিকাশ ঘটাইছে। “মিনিটৰ অন চাইক’লজি”ৰ অধ্যয়নত দেখা গৈছে যে টেলিভিছন চোৱাৰ পিছত আৰু ভিডিঅ’ গেম খেলাৰ পিছত প্ৰায় ১৩ শতাংশ ছাত্ৰ-ছাত্ৰীৰ আক্ৰমণাত্মক আচৰণ বৃদ্ধি পায়। ক্ৰমান্বয়ে হিংসাত্মক দৃশ্য আৰু অনুষ্ঠানৰ চিত্ৰগ্ৰহণৰ বাবে সংবাদ মাধ্যমক দোষাৰোপ কৰিব পাৰি। মিডিয়া চেনেলত হিংসাত্মক ঘটনা চোৱাটো ছাত্ৰ-ছাত্ৰীৰ আক্ৰমণাত্মক আচৰণৰ ফল। “প্ৰাইম টাইমত” প্ৰদৰ্শিত হোৱা ষাঠি শতাংশতকৈ অধিক টেলিভিছন অনুষ্ঠানত কোনো ধৰণৰ হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি হয়। শিশু আৰু প্ৰাপ্তবয়স্কৰ বিপজ্জনক আচৰণত আনৰ লগতে হিংসাও অন্তৰ্ভুক্ত হ’ব পাৰে। তেওঁলোকৰ আক্ৰমণাত্মক আচৰণৰ বাবে ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃ আৰু শিক্ষকৰ প্ৰতি কোনো সন্মান নাথাকে।

শিক্ষাৰ্থীৰ অধ্যয়নত দুৰ্বলতা নিয়মিতভাৱে টেলিভিছন চোৱাৰ ফল। শিক্ষা সম্পৰ্কে হোৱা এক গৱেষণাত দেখা গৈছে যে যিসকল শিশুৱে টেলিভিছন চোৱাত অধিক সময় উলিয়ায়, টিভিৰ প্ৰতি মনটো লেহেমীয়া কৰে, তেওঁলোকে পঢ়া-শুনাত মনোনিৱেশ কৰিব নোৱাৰে।

ফ্ৰান্সৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় সন্মান “Legion of Honour” লাভ কৰা বিশিষ্ট ভাৰতীয় চিকিৎসা বিজ্ঞানী ডাঃ তলোৱাৰৰ টেলিভিছনৰ ওপৰত আগবঢ়োৱা এক মন্তব্য বৰ্তমান সময়ত প্ৰণিধানযোগ্য।

ডাঃ তলোৱাৰে কৈছিল, “মই টেলিভিছন একেবাৰেই নাচাওঁ। টেলিভিছন নাচালে কিতাপ পঢ়িবলৈ যথেষ্ট সময় উলিয়াব পাৰি। টেলিভিছনৰ যুগত কিতাপ পঢ়া লোকৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাবলৈ ধৰিছে। কিতাপ পঢ়া মানুহবোৰ এতিয়া সমাজৰ সংখ্যালঘু সম্প্ৰদায়। কিন্তু ভৱিষ্যতৰ সময়ত এই সংখ্যালঘু মানুহখিনিয়েই হ’ব আটাইতকৈ শক্তিশালী। পৃথিৱীখন শাসন কৰিব তেওঁলোকেই। কিয় জানেনে? কিতাপ নপঢ়ি কেৱল টেলিভিছন চাই থকা মানুহবোৰৰ চিন্তাশক্তি দ্ৰুতগতিত হ্ৰাস পায়। কাৰণ, তেওঁলোকৰ মগজুৰ ব্যায়াম একেবাৰেই নহয়। আনহাতে, কিতাপ পঢ়া মানুহৰ চিন্তাশক্তি অবিৰামভাৱে বাঢ়ি থাকে। কাৰণ, তেওঁলোকৰ মগজু সকলো সময়তে সক্ৰিয় হৈ থাকে। এতিয়া পৃথিৱীৰ মানুহবোৰ দুটা ভাগত বিভক্ত হ’বলৈ ধৰিছে—অলসভাৱে টেলিভিছন চাই সময় কটোৱা চিন্তাবিমুখ মানুহ আৰু কিতাপ পঢ়ি ভালপোৱা চিন্তাশীল মানুহ। যিহেতু মানুহৰ চিন্তাশক্তিয়েই হ’ল মানুহৰ সমাজ আৰু সভ্যতাৰ মূল চালিকা শক্তি, গতিকে কোৱা বাহুল্য যে কিতাপ পঢ়া চিন্তাশীল লোকসকলেই ভৱিষ্যতৰ পৃথিৱীখন শাসন কৰিব। টেলিভিছন চাই-চাই জীৱনটো পাত কৰা অলস আমোদ-প্ৰিয় মানুহবোৰৰ সেইখন পৃথিৱীত বিশেষ একো ভূমিকা নাথাকিব।”

অভিৰাজ দত্ত

ডাঃ তলোৱাৰে কোৱা “কিতাপ পঢ়া মানুহে পৃথিৱীখন শাসন কৰিব” বুলি কোৱা কথাষাৰ এশ শতাংশই শুদ্ধ। বিশ্বৰ ধনী ব্যক্তিসকলৰ যদি দৈনন্দিন ৰুটিনখন আমি পৰ্যবেক্ষণ কৰোঁ, তেতিয়া দেখিম যে তেওঁলোকৰ দৈনন্দিন কামসমূহৰ মাজত অতি গুৰুত্বপূৰ্ণ এটি কাম হ'ল কিতাপ পঢ়া।

বিশ্বৰ অন্যতম ধনী ব্যক্তি ৱাৰেন বাফেটে প্ৰতিদিনে পাঁচৰ পৰা ছয় ঘণ্টা পাঁচখন বাতৰি কাকত আৰু ৫০০ পৃষ্ঠাৰ “কৰ্পৰেট” প্ৰতিবেদন পঢ়িবলৈ খৰচ কৰে। বিল গেটছে বছৰি ৫০খন কিতাপ পঢ়ে। মাৰ্ক জুকাৰবাৰ্গে প্ৰতি দুসপ্তাহৰ মূৰে মূৰে অন্ততঃ এখন কিতাপ পঢ়ে। আনহাতে, বৰ্তমান সময়ৰ বিশ্বৰ আটাইতকৈ ধনী ব্যক্তি ইলন মাস্কে দিনটোত দুখন কিতাপ পঢ়ি ডাঙৰ হৈছিল।

আৰু এইসকল পুঁজিপতি ব্যক্তিয়েই আজি নিজৰ অনবদ্য প্ৰযুক্তিৰ মাধ্যমেৰে বৰ্তমানৰ পৃথিৱীখন শাসন কৰি আছে। সেয়ে বৰ্তমান নৱ-প্ৰজন্মই এইটো বুজি উঠিব লাগিব যে যদিহে তেওঁলোকে কোনো ক্ষেত্ৰত সফল হ'বলৈ বিচাৰে, তেন্তে তেওঁলোকে হতাশা, কৰ্মবিমুখতা আৰু কৰ্মস্পৃহাহীনতা ত্যাগ কৰি প্ৰচুৰ অধ্যয়ন কৰিব লাগিব। ইয়াৰ বাহিৰে অন্য গত্যন্তৰ নাই।

এইখিনিতে বিখ্যাত ইংৰাজ কবি থমাছ হুডে কোৱা কথাষাৰ উল্লেখ কৰিব পাৰোঁ। তেওঁ কৈছিল, “মোৰ কিতাপবোৰে মোক সদায় জুৱাৰীৰ আড্ডা, মদপীৰ সংগ আৰু ধোদৰ পচলা নিষ্কৰ্মাবোৰৰ মেলৰ পৰা আঁতৰাই ৰাখে। যি মানুহে পোপ আৰু এডিছনৰ সান্নিধ্য পাইছে, যি মানুহে মিল্টন আৰু শ্বেইক্সপীয়েৰৰ নীৰৱ কিন্তু মহৎ চিন্তাধাৰাৰ অংশ লোৱাৰ সুযোগ পাইছে, তেওঁ নিশ্চয় অসৎ আৰু হীন সংগ কেতিয়াও সহ্য কৰিব নোৱাৰে।”

কিতাপ পঢ়াৰ সপক্ষে এইটো এটা বৰ ডাঙৰ যুক্তি। কিতাপে যে অকল মানসিক স্বাস্থ্যৰ বিকাশ তথা হতাশাৰ পৰা মুক্তি দিয়াত সহায় কৰে এনে নহয়; আজিৰ সময়খিনি সঠিক কামত লগোৱা, বেয়া সংগৰ পৰা দূৰত ৰখাৰ দৰে কামো এখন কিতাপে কৰিব পাৰে। থমাছ হুডৰ ওপৰোক্ত কথাষাৰো বৰ্তমান মোবাইল আৰু দূৰদৰ্শনত ব্যস্ত যুৱ-প্ৰজন্মৰ বাবে যথেষ্ট তাৎপৰ্য বহন কৰে।

তাৰোপৰি বৰ্তমান নৱ-প্ৰজন্মৰ হতাশাৰ অন্য কাৰক হিচাপে পৰিগণিত হৈছে নিবনুৱা সমস্যা। ভাৰতৰ দৰে উন্নয়নশীল দেশ এখনৰ উন্নতিত এই সমস্যাই বাধাৰ সৃষ্টি কৰিছে। বি.বি.চি. (BBC)-ৰ শেহতীয়া এক তথ্য অনুসৰি, ২০১৪ৰ পৰা ২০২২ বৰ্ষলৈকে ভাৰতত নিয়োগৰ হাৰ কেৱল ০.৩৩% আৰু নৱ-প্ৰজন্মৰ মাজত দেখা দিয়া হতাশা ইয়াৰ অন্যতম এক মুখ্য কাৰণ বুলি ক'লেও ভুল কোৱা নহ'ব। কিয়নো, যেতিয়া কোনো এজন শিক্ষাৰ্থীয়ে পঢ়ি-শুনি অধ্যয়নপুষ্ট হোৱাৰ পিছতো যদি সাধাৰণ চাকৰি এটাৰ বাবে হাবাথুৰি খাবলগীয়া হয়, তেনে ক্ষেত্ৰত সেই শিক্ষাৰ্থীজন হতাশ হৈ কৰ্মস্পৃহা যে হেৰুৱাব, সেই কথা নুই কৰিব নোৱাৰি।

শেহতীয়াকৈ সমগ্ৰ বিশ্বতে স্নাতক ডিগ্ৰী লাভ কৰা বৃহৎ সংখ্যকে নিজৰ অৰ্হতাৰ সমানুপাতিক চাকৰি বিচাৰি পোৱা নাই আৰু তেওঁলোকে নিৰাশাত ভুগিছে। সমগ্ৰ বিশ্বতে যুৱ নিবনুৱা সমস্যা বিভিন্ন মাত্ৰাত উপস্থিত হৈছে। ইয়াৰ ভিতৰত আমেৰিকা যুক্তৰাষ্ট্ৰত ই ১৭ শতাংশতকৈও অধিক। ইউৰোপত পৰিস্থিতি অধিক বেয়া। গ্ৰীচত নিবনুৱা সমস্যা প্ৰায় ৬০ শতাংশ, তাৰ পিছতে স্পেইনত ৫৫ শতাংশ, ইটালীত ৩৫ শতাংশ আৰু ফ্ৰান্সত ২৫ শতাংশ।

এইসমূহৰ উপৰি “জেনেৰেচন গেপ”, অত্যধিক মাদক দ্ৰব্য সেৱন, ড্ৰাগছ-ফিট বা পৰ্ণগ্ৰাফী ইত্যাদি কাৰকেও বৰ্তমান নৱ-প্ৰজন্মৰ মাজত কৰ্মস্পৃহাহীনতাৰ বাবে কম-বেছি পৰিমাণে দায়ী।

কৰ্মস্পৃহাহীনতাৰ বাবে সৃষ্টি হোৱা নিবনুৱা সমস্যা সমাজ তথা দেশ এখনৰ বাবে অত্যন্ত ভয়ানক।

ছুইডেনৰ উত্তৰ অংশৰ এখন পেৰিছসভাত পাঁচ বছৰৰ সময়ছোৱাত এটা অধ্যয়ন কৰা হৈছিল, য'ত যুৱক-যুৱতীসকলৰ নিবনুৱাৰ হাৰ ৬%ৰ পৰা ৮%ৰ ভিতৰত আছিল। বিদ্যালয়ৰ শেষৰ বৰ্ষৰ ১০৮৩ গৰাকী ছাত্ৰ-ছাত্ৰীক এই অধ্যয়নত অন্তৰ্ভুক্ত কৰা হৈছিল আৰু ইয়াৰে ৯৮% ছাত্ৰ-ছাত্ৰীক পাঁচ বছৰৰ পিছত অনুসৰণ কৰা হৈছিল।

অভিৰাজ দত্ত

অধ্যয়নৰ মূল ফলাফলসমূহত দেখা গৈছিল যে দীৰ্ঘদিনীয়া নিবনুৱা যুৱক-যুৱতীসকলৰ মাজত শাৰীৰিক আৰু মানসিক লক্ষণসমূহৰ লগতে ধূমপানৰ অভ্যাস আৰু ভাং সেৱনৰ পৰিমাণ অধিক বৃদ্ধি পাইছে। ইয়াৰ উপৰি চিষ্টোলিক ৰক্তচাপ, আনহাতে দীৰ্ঘদিনীয়া নিবনুৱা ল'ৰাৰ মাজত মদ্যপান আৰু অপৰাধৰ হাৰ অধিক বৃদ্ধি পোৱা দেখা গৈছিল।

"বিশ্ব স্বাস্থ্য সংস্থা" (WHO)-ৰ এক প্ৰতিবেদন মতে, বৰ্তমান প্ৰতি ১৫–২০ ছেকেণ্ডত এজনকৈ ব্যক্তি এইডছত আক্ৰান্ত হৈ আহিছে আৰু ড্ৰাগছ সেৱন কৰা ব্যক্তিসকলৰ বেছিভাগেই ১৭–১৮ বছৰ বয়সৰ বুলি ধাৰণা কৰা হৈছে। ইয়াৰ মূল কাৰণ হিচাপে নিবনুৱা সমস্যাকে ঠাৱৰ কৰা হৈছে, যাৰ প্ৰত্যক্ষ সংযোগ "হতাশা"ৰ লগত জড়িত।

২০০৯ চনত আমেৰিকাই ১৯৮২–১৯৮৩ চনৰ পিছত সৰ্বাধিক নিবনুৱাৰ হাৰৰ সন্মুখীন হৈছিল। ২০০৯ চনৰ জানুৱাৰীৰ পৰা ডিচেম্বৰলৈকে আমেৰিকাত ৰাষ্ট্ৰীয় নিবনুৱাৰ হাৰ ৭.৭%ৰ পৰা ১০.০%লৈ বৃদ্ধি পাইছিল। এই একে সময়ছোৱাত "নেভাডা"ত নিবনুৱাৰ হাৰ ৯.৬%ৰ পৰা ১৩.০%লৈ বৃদ্ধি পায়, যিটো দেশখনৰ সৰ্বকালৰ ভিতৰতে সৰ্বাধিক।

২০০৯ চনত আমেৰিকাত হোৱা এই নিবনুৱা সমস্যাই তেওঁলোকৰ মানসিক স্বাস্থ্যৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছিল। উল্লেখযোগ্য যে যিসকল লোকে চাকৰি হেৰুৱাইছিল, তেওঁলোকৰ মানসিক স্থিতি একেবাৰেই ঠিক নাছিল। গতিকে এই গৱেষণালব্ধ অধ্যয়নটোৰ পৰা আমি পতিয়ন যাব পাৰোঁ যে কৰ্মস্পৃহাহীনতা মানসিক স্বাস্থ্য তথা হতাশাৰ মূল কাৰণসমূহৰ ভিতৰত অন্যতম।

মুঠৰ ওপৰত ৰাষ্ট্ৰীয় অথবা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ যিসমূহ গোলকীয় সমস্যা, যেনে নিবনুৱা সমস্যা, দুৰ্বল মানসিক স্থিতি, হত্যা, ধৰ্ষণ অথবা ড্ৰাগছ ছিণ্ডিকেট—এই সমস্যাবোৰৰ লগত যুৱ-প্ৰজন্মৰ কৰ্মস্পৃহাহীনতাৰ সমস্যাটো ওতপ্ৰোতভাৱে জড়িত হৈ আছে।

বিশ্ববিখ্যাত লেখিকা আগাথা ক্ৰিষ্টিয়ে (Agatha Christie) কৈছিল—

"To every problem, there is a most simple solution."

অৰ্থাৎ, হতাশা যদি আমাৰ বাবে এটি সমস্যা হয়, তেন্তে এই সমস্যাৰো সহজ সমাধান আমাৰ ওচৰত আছে। সেয়ে আমি হতাশাৰ পৰা মুক্তি লাভ কৰিব লাগিব, আমি সপোন দেখিব লাগিব আৰু সেই সপোনক বাস্তৱত ৰূপায়িত কৰিব লাগিব।

নৱ-প্ৰজন্মৰ মাজত হতাশা দূৰ কৰিবলৈ কেইটামান দিশ নিম্নোক্ত ধৰণৰ—

১) নতুন প্ৰজন্মক নৈতিকতা আৰু মূল্যবোধৰ শিক্ষণি দিব লাগিব। মানুহৰ সংস্পৰ্শৰ পৰা আঁতৰি যন্ত্ৰৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ ধৰা নতুন প্ৰজন্মই নৈতিকতা আৰু মূল্যবোধেৰে বলীয়ান হ'লেহে মানৱীয় গুণসমূহ ধৰি ৰাখিব পাৰিব। তেওঁলোকৰ নৈতিকতা আৰু মূল্যবোধৰ আদৰ্শ হ'ব লাগিব আমি পিতৃ-মাতৃ, অভিভাৱকসকল। তেনে হ'বলৈ হ'লে আমি নিজেই নৈতিকতা আৰু মূল্যবোধৰ ভেটি গঢ়িব লাগিব।

২) বৰ্তমান সময়ত অভিভাৱকসকল নিজৰ জীৱনত অত্যধিক ব্যস্ত। অভিভাৱকসকলে নিজৰ কেৰিয়াৰৰ বাবে ল'ৰা-ছোৱালীক অৱহেলা কৰা দেখা গৈছে। পদোন্নতি, বোনাচ, ব্যৱসায়িক কাম-কাজ আদিৰ বাবে তেওঁলোকে নিজৰ কৰ্মস্থানত অধিক সময় দিছে। ফলত ঘৰত পৰিয়ালক দিয়া সময় বৰকৈ কমি গৈছে। প্ৰতিগৰাকী পিতৃ-মাতৃ, অভিভাৱকৰ বাবে সন্তানৰ বাবে দিনটোৰ কিছু সময় আঁচুতীয়াকৈ ৰখাটো অতি আৱশ্যকীয়, যাতে শিশু অৱস্থাতে ল'ৰা বা ছোৱালীজনীয়ে অকলশৰীয়া বোধ কৰি হতাশাত নোভোগে।

৩) নৱ-প্ৰজন্মই নিজৰ প্ৰতিভা অনুসৰি প্ৰায় প্ৰতিটো ক্ষেত্ৰতে আগুৱাই যোৱাৰ বাবে আজিৰ দিনত যথেষ্ট সুযোগ-সুবিধাৰ সৃষ্টি হৈছে। কিন্তু অভিভাৱকসকলে প্ৰায়েই নিজৰ আশা-আকাংক্ষাবোৰ ল'ৰা-ছোৱালীৰ ওপৰত জাপি দিবলৈ চেষ্টা কৰা দেখা যায়। ল'ৰা-ছোৱালীৰ নিজৰ প্ৰতিভা বিকশিত কৰাৰ সলনি তেওঁলোকক অভিভাৱকে নিজৰ অপূৰ্ণ সপোন পূৰণ কৰিবলৈ একপ্ৰকাৰ বাধ্য কৰায়। যাৰ বাবে নিজৰ অপছন্দৰ বিষয় এটি আজীৱন পঢ়ি তেওঁলোকে হতাশাৰ দৰে সমস্যাত ভোগে। সেয়েহে জীৱনৰ বাটত বহুতো ল'ৰা-ছোৱালী দিগ্‌ভ্ৰান্ত হৈ পৰে। এই ক্ষেত্ৰত অভিভাৱকসকলে নিজৰ পছন্দৰ অনুসৰি ল'ৰা বা ছোৱালীজনীক সি বা তাই পঢ়িব বিচৰা বিষয় এটি পঢ়িবলৈ স্বাধীনতা দিব লাগে। তেতিয়াই এনে সমস্যাৰ অন্ত পৰিব।

৪) আমি প্ৰতিযোগিতাৰ জগতখনত আমাৰ ল'ৰা-ছোৱালীয়ে আনৰ ল'ৰা-ছোৱালীতকৈ সদায় আগবাঢ়ি থকাটো বিচাৰোঁ। আমি প্ৰায়েই সিহঁতৰ সফলতা বা বিফলতা আনৰ লগত তুলনা কৰোঁ। ল'ৰা-ছোৱালীৰ সাফল্যত যিদৰে আমি অত্যন্ত আনন্দিত হওঁ, সেইদৰে সিহঁতৰ বিফলতাত সাংঘাতিকভাৱে নিৰাশ হওঁ। আমি সিহঁতক বিফলতাৰ পৰা শিক্ষা লৈ আগবাঢ়ি যাবলৈ উৎসাহিত কৰাৰ পৰিৱৰ্তে বিফলতাৰ সমগ্ৰ দোষ সিহঁতৰ ওপৰত জাপি দিয়াৰ প্ৰয়াস কৰোঁ। আমাৰ এনে মানসিকতাৰ বাবেই সিহঁতে সকলো কাম প্ৰচণ্ড মানসিক চাপৰ মাজত কৰিবলগীয়া হয়। সিহঁতে বিফলতাক হাঁহিমুখে স্বীকাৰ কৰিবলৈ অক্ষম হৈ পৰে। এই ক্ষেত্ৰত যদি সমাজ তথা অভিভাৱকে ছাত্ৰ-ছাত্ৰীসকলক বিফলতাৰ মাজতো সফলতাৰ উৎস বিচাৰি পাবলৈ অনুপ্ৰেৰণা যোগায়, তেন্তে এই সমস্যাৰো সমাধান নিশ্চিত।

৫) আমি বুজি নাপাওঁ যে আজিৰ সময়ৰ ল'ৰা-ছোৱালীয়ে বহুতো সোনকালে প্ৰাপ্তবয়স্কৰ জগতত প্ৰৱেশ কৰে। টেলিভিছন, ইণ্টাৰনেট আদি মাধ্যমৰ যোগেদি কম বয়সতে আজিৰ ল'ৰা-ছোৱালীয়ে প্ৰাপ্তবয়স্কই জানিবলগীয়া বহুতো কথাৰ লগত পৰিচিত হয়। আচৰিত কথা যে আমি ঘৰতে ল'ৰা-ছোৱালীৰ লগত বহি যৌনগন্ধী চিনেমা চাওঁ, কিন্তু যৌনতাৰ বিষয়ে আলোচনা কৰিবলৈ সংকোচ কৰোঁ। যৌনতাৰ বিষয়ে মুকলিকৈ আলোচনা কৰি উঠি অহা ল'ৰা-ছোৱালীক এই বিষয়ে সচেতন আৰু সাৱধান কৰাৰ মানসিক পৰিপক্কতাও আমাৰ গঢ়ি উঠা নাই। ইয়াৰ ফলত সিহঁতে প্ৰাপ্তবয়স্কৰ জগতখনৰ কথা জানিবলৈ সহজতে পোৱা বিকল্প পথ বিচাৰি লয়। মোবাইল ফোনে নিষিদ্ধ জগতৰ বহুতো কথা উঠি অহা ল'ৰা-ছোৱালীৰ হাতৰ মুঠিলৈ লৈ আহিছে, সেই কথা আমি দেখিও নেদেখা হৈ থাকোঁ। মানুহৰ শিক্ষাৰ আখৰাতলী হ'ল নিজৰ ঘৰখন। সেয়ে ছাত্ৰ-ছাত্ৰীসকলক যদি ঘৰখনতে "যৌনতা মানৱ জীৱনৰ এক অংশ আৰু ইয়াত কোনো লাজ বা ভয় কৰিবলগীয়া কথা নাই"—এনেধৰণৰ পাঠ পঢ়োৱা হয়, তেন্তে এই সমস্যাৰো সমাধান হ'ব।

ওপৰোক্ত কথাখিনিৰ ভিত্তিত ক'ব পাৰি যে কাম কৰিবলৈ স্পৃহা থাকিলে হতাশাই কোনো ব্যক্তিকে সফল হোৱাত বাধা দিব নোৱাৰে।

অসমৰ বিশিষ্ট সাহিত্যিক-সাংবাদিক হোমেন বৰগোহাঞিদেৱে "কাম কৰাৰ আনন্দ"ত লিখিছে, "কাম কৰি ভাল পাবলৈ শিকাৰ আটাইতকৈ সহজ আৰু উত্তম উপায়টো হৈছে, যিটো কাম কৰা, তাক গভীৰ মনোযোগ দি সুন্দৰ আৰু নিখুঁতভাৱে কৰিবলৈ চেষ্টা কৰা। উপদেশতকৈ আদৰ্শ সদায় বেছি ভাল। মই ঘৰৰ সকলো কাম-কাজ যেনে—মজিয়া সৰা, ঘৰ-চাফা কৰা, বাচন ধোৱা, কাপোৰ ধোৱা—এই গোটেইবোৰ কাম কৰি ভাল পাওঁ। এতিয়া নহয়, ল'ৰাকালৰ পৰাই ভাল পাওঁ।"

বৰগোহাঞিদেৱৰ এই মহৎ কথাষাৰে প্ৰতিপন্ন কৰে যে কাম কৰিবলৈ বয়স কোনো বাধাৰ কাৰক হ'ব নোৱাৰে, সেয়া লাগিলে ল'ৰালিয়েই হওক অথবা বৃদ্ধাৱস্থা।

এইখিনিতে বিশ্ববিখ্যাত দাৰ্শনিক বাৰ্ট্ৰাণ্ড ৰাছেলৰ জীৱনৰ এটি কথা উনুকিয়াব পাৰি।

৯০ বছৰ বয়সত ৰাছেলৰ দৈনন্দিন ৰুটিন আছিল এনেধৰণৰ—

ৰাতিপুৱা ৮ বজাৰ পৰা ১১:৩০ বজালৈ বাতৰি-কাকত পঢ়া।

১১:৩০ বজাৰ পৰা দৰ্শনাৰ্থীক দেখা কৰা।

২–৪ বজালৈ কিতাপ পঢ়া।

৪–৭ বজালৈ লিখা আৰু মানুহক দেখা কৰা।

৮ বজাৰ পৰা মাজৰাতি ১ বজালৈকে লিখা আৰু পঢ়া।

ৰুটিনখন ভালকৈ মন কৰিলে আমি দেখিম যে দুপৰীয়া ১–২ বজাৰ এঘণ্টাৰ বিৰতিৰ বাহিৰে খাবলৈ বা শুবলৈ ৯০ বছৰীয়া এই বৃদ্ধ লোকজনে এক মিনিট সময়ো বেছিকৈ লোৱা নাই।

দৰাচলতে, কাম কৰাৰ আনন্দই মতলীয়া কৰা মানুহৰ স্বভাৱ-চৰিত্ৰ এনেকুৱাই হয়। জীৱনৰ হতাশাই তেওঁলোকৰ সপোন বাস্তৱত পৰিণত হোৱাত বাধা দিব নোৱাৰে।

শেষত, বিশ্ববিখ্যাত দাৰ্শনিক ভল্টেয়াৰে কোৱা এটি মহান বাণীৰে সামৰিছোঁ—

“জীৱনৰ বাটত মই যিমানেই আগবাঢ়িছোঁ, সিমানেই কাম কৰাৰ প্ৰয়োজন মই বেছিকৈ অনুভৱ কৰিছোঁ। মানুহৰ জীৱনৰ শেষ পৰ্যন্ত কামেই হৈ পৰে গভীৰতম আনন্দৰ উৎস। মোহভংগই সৃষ্টি কৰা শূন্যতা পূৰণ কৰিব পাৰে কেৱল কামে।”

সহায়ক সমলঃ

১) কাম কৰাৰ আনন্দ — হোমেন বৰগোহাঞি।

২) ইণ্টাৰনেট।

অভিৰাজ দত্ত

প্ৰবন্ধ

যুগশ্ৰষ্টাৰ জীৱন গাঁথা —
সংগীত আৰু জুবিন

দ্বিতীয় পুৰস্কাৰ

লেখিকা

বৰ্ণালী ডেকা

বৰ্ণালী ডেকা

অসমী আইৰ বুকুত অঁকা আটাইতকৈ সুৰীয়া গীতটোৰ নাম জুবিন গাৰ্গ। আলফাৰ অৰাজকতা, অত্যাচাৰ, অসমীয়া গীত-মাতৰ প্ৰচলন বন্ধ হৈ যোৱা তথা হিন্দীভাষী ধাৰাটোৰ সৈতে আকৰ্ষিত হোৱা অসমখনক সলনি কৰিবলৈ তেওঁ এক বৈপ্লৱিক সপোন দেখিছিল—সেই বৈপ্লৱিক সপোন আছিল সুৰৰ, গীতৰ। অসমীয়া গীত-ছবিক শ্মশান যাত্ৰাৰ পৰা উভতাই আনি তেওঁ গঢ়িছিল এক বিৰল ইতিহাস; এক প্ৰকাৰ যেন অসমীয়াক তেওঁ সতেজ উশাহ ঘূৰাই দিছিল।

জনপ্ৰিয় কণ্ঠশিল্পী, নৱপ্ৰজন্মৰ হিয়াৰ আমঠু জুবিন গাৰ্গ কেৱল এটা নাম নহয়। অসম আৰু অসমীয়াৰ বাবে জুবিন গাৰ্গ হৈছে এটা সত্তা। এটা কলাৰ নাম জুবিন, এটা আৱেগৰ নাম জুবিন, এক অনুপ্ৰেৰণাৰ নাম জুবিন, বিধ্বস্ত জীৱনত নতুন বৰষা নমোৱা এটি আশাৰ নাম জুবিন, হাজাৰজনক জগোৱা এটা আহ্বানৰ নাম জুবিন, এটি অনুষ্ঠানৰ নাম জুবিন, উজাগৰী নিশা সাৰথি হৈ ৰোৱা এটি জীৱনদায়িনী শক্তিৰ নাম জুবিন। জুবিনৰ বাবে যেন উপমাৰ শেষ নাই।

ড° ভূপেনদাৰ পিছতে জুবিন গাৰ্গে অসমভূমিৰ পৰাই দেখিছিল সংগীতেৰে বিশ্ব জয় কৰাৰ সপোন। সংগীত জগতখনৰ জৰিয়তে ইউকেলিপ্টাছৰ দৰে ওখ হ'ব খুজিছিল তেওঁ।

"ইউকেলিপ্টাছ গছৰ দৰে ওখ হ'ব খোজোঁ, মই চিৰদিন চিৰন্তন, আকাশ চুব খোজোঁ..!"

এয়াই ৫১টা বসন্ত গৰকা জুবিন গাৰ্গ নামৰ শিল্পীজনৰ জীৱনৰ ব্ৰত। এই পণ লৈয়ে তেওঁ আগবাঢ়িছে। ১৯৯২ চনত তেওঁ খোজ পেলাইছিল সংগীতৰ ক্ষেত্ৰখনত। অসমীয়া সংগীত জগতত জুবিন গাৰ্গ নামৰ এনে এটা কলাৰ আৱিৰ্ভাৱ হৈছিল, যি কলাই সলাই পেলাইছিল অসমীয়া সংগীতৰ ধাৰা, পৰিভাষা, সকলো ধাৰণা।

১৯৭২ চনৰ ১৮ নৱেম্বৰৰ তাৰিখে মেঘালয়ৰ তুৰাত জন্মগ্ৰহণ কৰা জুবিন গাৰ্গৰ পিতৃৰ নাম আছিল মোহিনী বৰঠাকুৰ আৰু মাতৃৰ নাম আছিল ইলি বৰঠাকুৰ। পিতৃৰ চাকৰিসূত্ৰে অসমৰ বিভিন্ন ঠাইত জুবিন গাৰ্গে শিক্ষাগ্ৰহণ কৰে। কৰিমগঞ্জকে আদি কৰি তামুলপুৰ, বিজনী, যোৰহাট আদি বিভিন্ন ঠাইত শিক্ষাগ্ৰহণ কৰে। অষ্টম শ্ৰেণীৰ ছয়মাহিলী পৰীক্ষা বাংলা মাধ্যমত লিখা ব্যক্তিজনে আশ্চৰ্যজনকভাৱে বছৰেকীয়া পৰীক্ষা দিছিল অসমীয়া মাধ্যমত। তেওঁৰ জ্ঞানৰ পৰিধিৰ বিশালতা ইয়াৰ পৰা অনুমান কৰিব পাৰি। বি. বৰুৱা কলেজৰ পৰীক্ষাগৃহত ৰসায়ন বিভাগৰ প্ৰশ্নকাকত এৰি থৈ অহা ব্যক্তিজনৰ মনত আছিল হেজাৰ নৱজাগৰণৰ স্বপ্ন।

সৰুৰে পৰা জুবিন গাৰ্গ আছিল এজন প্ৰকৃতিপ্ৰেমী। কৰিমগঞ্জত থাকোঁতে তেওঁ পুহিছিল বাঘ, ময়ূৰ, হৰিণা আদি। তেওঁ প্ৰায়েই কৈছিল, "কোনেও নুবুজিলেও প্ৰকৃতিয়ে তোমাক সদায় বুজিব। মই সেইবাবে গছ ভাল পাওঁ, খুব কথা পাতোঁ গছৰ লগত।" মানৱ সেৱাৰ লগতে প্ৰকৃতি সেৱাও তেওঁৰ আন এক বৈশিষ্ট্য।

জুবিনৰ জীৱনৰ প্ৰথম গুৰু আছিল তেওঁৰ মাতৃ। তেওঁৰ মাতৃ ইলি বৰঠাকুৰ এগৰাকী দক্ষ নৃত্যশিল্পী, অভিনেত্ৰী আৰু সু-গায়িকা আছিল। তথাপি তেওঁ নিজৰ প্ৰতিভাক পেছা হিচাপে নলৈ নিজৰ কণমানি জুবিনক ঘৰতে সকলো কলা শিকোৱাৰ সিদ্ধান্ত লৈছিল। অমিতাভ বচ্চনৰ ছবিবোৰ শৈশৱৰ সময়ছোৱাত জুবিন গাৰ্গৰ প্ৰিয় আছিল; অমিতাভ বচ্চনৰ অনুকৰণ কৰি তেওঁ থ্ৰী-পীচ ছ্যুট পিন্ধিছিল। গানৰ প্ৰতি তেওঁৰ ধাউতি দিনক-দিনে বাঢ়ি অহা দেখি জুবিনক কৰিমগঞ্জৰ বিশিষ্ট তবলাবাদক ৰবীন বেনাৰ্জীৰ অধীনত তবলা শিকিবলৈ দিয়া হ'ল। পিতৃয়ে কৰিমগঞ্জৰ যাত্ৰা-দল শিল্পী-তীৰ্থৰ সৈতে জড়িত হৈ এটা বছৰত তিনিখন যাত্ৰা কৰিছিল; য'ত জুবিন গাৰ্গেও তেওঁক সংগ দিছিল। আনহাতে, বিদ্যালয়ৰ বছৰেকীয়া উৎসৱত জুবিন গাৰ্গে তবলা বাদন কৰিছিল। পৰৱৰ্তী সময়ত জুবিনে গুৰু ৰমণী ৰায়ৰ ওচৰত অসমীয়া লোক-সংগীতৰ শিক্ষা গ্ৰহণ কৰে।

জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে বৰ অসম গঢ়াৰ সপোন দেখা জুবিন গাৰ্গে নিজকে ধৰ্ম-অবিশ্বাসী বুলি গণ্য কৰিছিল।

বৰ্ণালী ডেকা

জুবিন গাৰ্গৰ ঈশ্বৰ বিশ্বাস সম্পৰ্কত স্পষ্ট অভিমত দিয়াটো প্ৰায় দুৰূহ বুলি পিতৃ কপিল ঠাকুৰে পিতৃৰ দৃষ্টিৰে জুবিন গ্ৰন্থত উল্লেখ কৰিছে।

জুবিন ৰূপান্তৰৰ শিল্পী। এই কথা সহজে ল'ব পৰা নাছিল বহুতে। সেয়ে তেওঁৰ সৃষ্টিক প্ৰায়ে সমালোচকে উপেক্ষা কৰিছিল। কেৱল বিতৰ্কৰ সময়ত জুবিনক সমালোচনা কৰাই যেন এচাম সমালোচকৰ মূল কাম আছিল। সেয়ে জুবিনৰ পিতৃয়ে তেওঁক লৈ লিখা গ্ৰন্থত জুবিনক প্ৰশংসাৰ সমানে সমালোচনা কৰাৰ বিষয়ত ক'বলৈ গৈ জুবিনে কৈছিল—অসমত ভালকৈ সমালোচনা কৰিবও নাজানে, প্ৰশংসা কৰিবও নাজানে। মই ভালকৈ সমালোচনা কৰিলে ভাল পাওঁ।

১৯৯২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় যুৱ মহোৎসৱত পাশ্চাত্য একক সংগীত পৰিৱেশনত সোণৰ পদক লাভ কৰিছিল জুবিন গাৰ্গে। সেয়াই আছিল তেওঁৰ জীৱনৰ টাৰ্নিং পইণ্ট। ১৯৯২ চনত তেওঁ খোজ পেলাইছিল পেছাদাৰী সংগীত জগতখনত "অনামিকা" এলবামটোৰ মুক্তিৰ জৰিয়তে। অসমৰ আকাশে-বতাহে মুখৰিত হৈ পৰিল জুবিনৰ "অনামিকা"। বিয়পি পৰিল জুবিন নামৰ ক্ষীণকায় উন্মাদ ল'ৰাজনৰ কলাৰ যাদু। অসমীয়া সংগীত জগতত জুবিন গাৰ্গ নামৰ এনে এটা কলাৰ আৱিৰ্ভাৱ হৈছিল, যি কলাই সলাই পেলাইছিল অসমীয়া সংগীতৰ ধাৰা, পৰিভাষা, সকলো ধাৰণা। পৰৱৰ্তী সময়ছোৱাত "সপোনৰ সুৰ" (১৯৯২), "জোনাকী মন" (১৯৯৩), "মায়া" (১৯৯৪), "আশা" (১৯৯৫)ক প্ৰমুখ্য কৰি ভালেমান এলবাম মুকলি কৰে।

অসমৰ প্ৰখ্যাত গায়ক, সুৰকাৰ আৰু গীতিকাৰ জুবিন গাৰ্গ ভাৰতীয় সংগীত জগতত বহুমুখী প্ৰতিভাৰ বাবে বিশেষভাৱে পৰিচিত। অসমীয়াৰ লগতে তেওঁ হিন্দী ভাষাতো কেইবাটাও গীত নিজে লিখি আৰু সুৰ দি গাইছে। যদিও বলীউডত তেওঁ মূলতঃ গায়ক হিচাপে জনপ্ৰিয়, তথাপি হিন্দী সংগীততো নিজে লিখা গীতৰ জৰিয়তে তেওঁ নিজৰ প্ৰতিভাৰ পৰিচয় দিছে। এইদৰে জুবিন গাৰ্গে অসমীয়াৰ লগতে হিন্দী সংগীত জগততো এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে।

বাংলা সংগীত জগতখনতো তেওঁৰ অৱদান আছিল উল্লেখযোগ্য। বলীউড আৰু অসমীয়া চলচ্চিত্ৰ তথা সংগীত উদ্যোগত গান গোৱাৰ সমান্তৰালকৈ ২০০৩ চনত বাংলা সংগীত জগতত জুবিন গাৰ্গৰ অভিষেক ঘটে, য'ত তেওঁ "মন চিনামাত" দুটা গীত গাইছিল।

জুবিনে হীৰেন ভট্টাচাৰ্যৰ পৰা আৰম্ভ কৰি জ্যোতিপ্ৰসাদলৈকে বহু কবিৰ কবিতাকো গীতৰ ৰূপ দিছে। এয়া সাধাৰণ কথা নহয়। কবিতাক গীতৰ ৰূপ দিয়াত জুবিন সফল। "অনামিকা"ৰ দৰে এলবামৰ জৰিয়তে অসমৰ সংগীত জগতখনক সলনি কৰি দিয়া জুবিনক বহুতে সহজভাৱে ল'ব পৰা নাছিল।

জুবিন গাৰ্গৰ নিজৰ সৃষ্টিৰাজিৰ এক সুকীয়া পৰিচয় আছে। জুবিনৰ এনে বহু গীত আছে, যি গীতৰ কথা আৰু সুৰ শুনিলেই বুজিব পাৰি যে সেই গীতটো জুবিন গাৰ্গৰ নিজৰ সৃষ্টি। তেওঁৰ গীতত প্ৰেম, বিষাদ, নিঃসংগতা, বিষণ্ণতা, প্ৰাপ্তি, প্ৰাপ্তিহীনতা সকলো আছে। তাৰোপৰি জুবিনৰ গানত প্ৰকৃতি, সমাজ, ৰাজনীতি সকলো আছে। সৰ্বহাৰাৰ বাবেও জুবিনে গীতৰ মাধ্যমেৰেই বহু কথা কৈ গৈছে। সন্ত্ৰাসবাদৰো বিৰোধিতা, স্বদেশ প্ৰেমৰ কথা জুবিনে গীতৰ মাধ্যমেৰেই কৈ গৈছে। কিন্তু জুবিনক স্বীকাৰ কৰিব নিবিচৰা বৌদ্ধিক মহলে জুবিনৰ সেই গীতৰ কথাৰ প্ৰতি কাহানিও গুৰুত্বই নিদিলে।

"শান্তি দিয়া, মুক্তি দিয়া
সেউজ দিয়া, শস্য দিয়া, চিৰকাল ফুলিবলে..."

এইবোৰ গীতৰ সুৰ-কথা সংগীতেই নহয়, কথাও জুবিনৰ নিজা সৃষ্টি।

বৰ্ণালী ডেকা

তেওঁৰ প্ৰিয় “মায়াবিনী” গীতটিৰ জৰিয়তে ৰোমাণ্টিক গায়ক হিচাপে তেওঁৰ বহুমুখিতা প্ৰদৰ্শন কৰা হৈছে। যৌৱনৰ ৰোমাঞ্চৰ মনোভাৱক অতুলনীয়ভাৱে ধৰি ৰখা এই গীতটিৰ সুৰীয়া আৰু হৃদয়স্পৰ্শী সুৰে গীতটিক প্ৰত্যেকটো প্ৰজন্মৰ শ্ৰোতাৰ মাজত জনপ্ৰিয় কৰি তুলিছিল। আৰু সাম্প্ৰতিক সময়ছোৱাত সেই গীতটি হৈ পৰিল জুবিনৰ প্ৰাৰ্থনাৰ এটি মাধ্যম।

যুগস্ৰষ্টাৰ জীৱন গাঁথা — সংগীত আৰু জুবিন

লেখিকা: বৰ্ণালী ডেকা (দ্বিতীয় অংশ)

জুবিনৰ কণ্ঠত থকা অনামী মায়াৰে তেওঁ গাইছিল—

“মায়া, মায়া মাথোঁ মায়া...”

যি মায়াৰে তেওঁ মুগ্ধ কৰিলে হাজাৰ হাজাৰ অসমীয়াৰ হৃদয়, যি মায়াই হৰণ কৰিলে ষোড়শী গাভৰুৰ প্ৰাণ।

লোভ-মিথ্যাচাৰৰ ছবিখন উদঙাই দি তেওঁ “মুক্তি” গীতটিত লিখিছিল—

“অন্ধ শাসক, ভণ্ড শাসক
অৰ্থলোভৰ নগ্ন যুঁজত
জীৱন-মৰণৰ স্ববাহক
মদ্য বিভোৰ অন্ধ সুখত।”

জুবিন গাৰ্গ সেইজন ব্যক্তিৰ নাম, যিয়ে আমাক ভাল পাবলৈ শিকালে, জীৱন জীয়াবলৈ দিলে প্ৰেৰণা, হাৰি হাৰিও পুনৰ থিয় দিবলৈ শিকালে।

শান্ত মাতটোৰে বহুতৰে অশান্ত মনটোক কিছু শান্ত কৰিব পৰাকৈ তেওঁ গাইছিল—

“আঁউসীৰ জোন মোৰ সমুখতে...”

সৰ্বোচ্চ আৱেগ ঢালি অসম মাতৃৰ বাবে তেওঁ গাইছিল—

“সোণেৰে সজোৱা পজা জহি-খহি যায়...”

শীৰ্ষগীতটোৰ প্ৰথম অন্তৰাত সেই সময়ৰ অৰাজকতাৰ কথা খুব সুন্দৰকৈ প্ৰকাশ কৰিছে এনেদৰে—

“বুঢ়ী আইৰ জুহালতে চকুলো শুকাই
দেউতাৰো একে দশা পদূলিলৈ চাই
বহুদিন হ’ল সৰু বোপাৰ মুখ দেখা নাই
চেনেহীৰ আকাশত আজি জোনতৰা নাই...”

“মায়া”ৰ পৰা “মায়াবিনী”, “দূৰে দূৰে”ৰ পৰা “পাখি পাখি”, “মুক্তি”ৰ পৰা “যন্ত্ৰ”লৈ—অসমত এনেকুৱা কোনো উৎসৱ নাই, এনে কোনো ক্ষণ নাই যি জুবিন গাৰ্গৰ গীতেৰে জীপাল হোৱা নাই। প্ৰকৃতাৰ্থত জুবিন গাৰ্গৰ গীত অবিহনে আমি আধৰুৱা, অসম আধৰুৱা।

মাতৃভূমিত প্ৰতিজন শিশুৰ মুখত নিঃস্বাৰ্থ হাঁহি বিয়পোৱাৰ সপোন দেখিছিল তেওঁ—

“শিশুৰ মুখৰ হাঁহি, কেতিয়াযে ঘূৰি আহে...”

বৰ্ণালী ডেকা

“বেদনাৰ জ্বলা জুই কেতিয়া নুমাবা”—বুলি ‘অনামিকা’ৰ প্ৰতি আৱেগিক প্ৰশ্ন কৰা সেই জুবিনৰ কলমৰ পৰা নিগৰি আহিছে এনে বহু চিৰসেউজ গীতৰ কলি।

গীতৰ মাজেৰেই বিভিন্ন বিষয়লৈ তেওঁ ক্ষোভ উজাৰিছে, প্ৰতিবাদ কৰিছে যদিও কিছুমান গীতত ভৱিষ্যতৰ আশা-আকাংক্ষা, উচ্চাকাংক্ষী মনৰ প্ৰকাশো কৰিছে।

সেইহে তেওঁ লিখিছে—

“জগত পোহৰ কৰি আহিব শ্ৰাৱণ
আঁতৰাব অমানিশা, বধিব ৰাৱণ
নিকা হ’ব সমাজ
শেষ হ’ব এই পাপ
ফুলি ৰ’ব প্ৰেম শতদল…”

প্ৰত্যেকজন প্ৰেমিক যুৱকৰ কাষত এটি নিৰ্জন সন্ধিয়া বাজি উঠা “অনুৰাধা” গীতটিৰ পৰা “ৰুমাল”লৈকে, “তুমি চোৱা যেতিয়া”ৰ পৰা “Sweet Love”লৈকে তেওঁ ৰচিছিল অজস্ৰ কালজয়ী গীত।

কেতিয়াবা যদি প্ৰকৃতিৰ সৌন্দৰ্যৰ মাজত প্ৰেমৰ সন্ধান বিচাৰি “কঁকাল খামুচীয়া গাল শিলপীয়া, তুমি কোন সৰগৰ পৰী…”ৰ দৰে গান লিখিছে, কেতিয়াবা আকৌ সোণৰ অসম গঢ়াৰ আহ্বান গীতৰ মাজেৰেই প্ৰকাশ কৰিছে। এগৰাকী পুৰুষ গীতিকাৰৰ বাবে নিজকে গাভৰুৰূপে কল্পনা কৰি গীত লিখাটো কষ্টকৰ কাম।

জুবিন গাৰ্গে নিজকে এগৰাকী গাঁৱৰ সাধাৰণ গাভৰু হিচাপে কল্পনা কৰি প্ৰেমৰ চেতনাক খুব সুন্দৰভাৱে প্ৰকাশ কৰিছে এনেধৰণৰ গীত কিছুমানত—

“ফাগুন আহিলেই বৈ
সপোন আহিলেই বৈ
হিয়াৰ দুয়োপাৰ ওপচাই…”

আৰু

“শালিকী পুৱাৰ ৰ’দালি দেখিলেই
তোমালৈয়ে মোৰ মনত পৰে…”

এইবোৰ কোমল অনুভূতিপ্ৰৱণ প্ৰেমৰ গীত। “কঁকাল খামুচীয়া”, “অ’ ভনী”, “মনত পৰে তোমালৈ”, “বিহু বিহু বুলুতে”, “সোণাৰু ফুল হালধীয়া” আদি অসংখ্য বিহুগীতেৰে অসমীয়া বিহু সংগীতৰ জগতখনক তেওঁ সমৃদ্ধ কৰিছিল।

“সোণেৰে সজোৱা পঁজা জহি-খহি যায়
কোনে আজি সাজিবহি পাৰিব দুনাই…”

এয়া জুবিনৰ নিজা শব্দ। নব্বৈৰ দশকৰ অসমখনক এই গীতৰ মাজেৰে তুলি ধৰাই নহয়, তেওঁ ইয়াৰ মাজেৰে ক্ষোভো প্ৰকাশ কৰিছিল।

“বুঢ়ী আইৰ জুহালতে চকুলো শুকাই
দেউতাৰো একে দশা পদূলিলৈ চাই

বৰ্ণালী ডেকা

বহুদিন হ'ল সৰু বোপাৰ মুখ দেখা নাই
চেনেহীৰ আকাশত আজি জোনতৰা নাই...”

নব্বৈৰ দশকৰ অসমৰ সমাজ-জীৱনক ইয়াতকৈ সুন্দৰকৈ প্ৰকাশ কৰিব পৰা ব্যক্তি তেওঁৰ বাহিৰে দ্বিতীয়জন নিশ্চয় নাই।

জুবিনৰ গীতত আশা আছিল। আছিল শূন্যতা, ক্ষোভ, উপলব্ধি।

“পোহৰৰ চাকি গছি
জ্বলামেই এদিন জ্বলাম”—এয়া জুবিনৰ আশাবাদৰ গান।

“ৰ'দ আজি কেনি পাওঁ
ৰ'দ আজি কেনি চাওঁ
খিৰিকী মেলি সমুখত আন্ধাৰহে পাওঁ”—গীতত আন্ধাৰৰ কথাৰে নিৰাশাৰ কথাকেই কৈছে। নিঃসংগতাৰ মূৰ্ত প্ৰকাশ “ৰ'দ আজি কেনি পাওঁ” গীতটো।

“নিচুকনি” শীৰ্ষক গীতটোত আকৌ এগৰাকী পীড়িত শিশু-শ্ৰমিকৰ আকুল বিননিকে গীতিকাৰে প্ৰকাশ কৰিছে এনেদৰে—

“নিচুকনি গীত মোৰ কেনিনো হেৰালে
হৃদয় কোণত থানবান
জ্বলি থকা জেউতি কেনিনো নুমালে
সমীৰত ধুমুহা গান
এন্ধাৰে সাৰ পাই হাঁহি মাৰি কয়
তইহে মোৰ সন্তান।”

‘এন্ধাৰ’ক ইয়াত নিঃসংগতা, শূন্যতাবোধ আৰু বিষাদৰ প্ৰতীকী অৰ্থত ব্যৱহাৰ কৰিছে। জুবিন গাৰ্গৰ গীতসমূহত ‘ফাগুন’, ‘এন্ধাৰ’, ‘জোনাক’ আদি শব্দবোৰক এনেদৰে বিশেষ প্ৰতীকী ৰূপত ব্যৱহাৰ কৰা দেখা যায়। জীৱনৰ প্ৰতি একধৰণৰ দাৰ্শনিক চিন্তা গীতটোৰ মাজেদি খুব সুন্দৰভাৱে প্ৰকাশ পাইছে। তদুপৰি গীতটোৰ হৃদয় জুৰোৱা সুৰ আৰু বাঁহীৰ দৰদী ধ্বনিয়ে গীতটোক অলংকাৰিক সৌন্দৰ্য প্ৰদান কৰিছে।

‘মা’ এলবামৰ ‘কেতিয়াবা’ শীৰ্ষক গীতটোত জুবিন গাৰ্গে জীৱনৰ বিস্ময়কৰ সময়বোৰ, বিচিত্ৰ আৱেগ-অনুভূতিবোৰক প্ৰকৃতিৰ ৰ'দ-বৰষুণ, ফুলৰ লগত তুলনা কৰি, কবিতা-কবিতা যেন লগা গীতটোক খুব সুন্দৰভাৱে সুৰেৰে সজাইছে এনেদৰে—

“কেতিয়াবা ফুল ফুলে
কেতিয়াবা ফুল সৰে
কেতিয়াবা নিৰ্জনতেও শব্দ হৈ কথা সৰে
কেতিয়াবা শব্দতো নিৰ্জনৰো ৰাতি নামে
কেতিয়াবা ৰ'দে মাতে
কেতিয়াবা বৰষুণে...”

নিঃসন্দেহেই ‘কেতিয়াবা’ শীৰ্ষক গীতটো দশকটোৰ ভিতৰতে জুবিন গাৰ্গৰ অন্যতম চিৰসেউজ সৃষ্টি। গীতটোৰ অন্যতম আকৰ্ষণীয় দিশটো হ'ল গীতৰ কথাৰ লগত সুৰৰ যি ভিন্নতা। শব্দৰ সাংগীতিক লয়ৰ প্ৰতি গীতিকাৰৰ সজাগ।

বৰ্ণালী ডেকা

“প্ৰতিটো প্ৰহৰ, প্ৰতিটো সময়
প্ৰতিটো পলে চিঞৰে আজি
প্ৰতিটো দুখৰ, প্ৰতিটো শোকৰ
প্ৰতিটো ক্ষোভৰ মূল্য সুঁৱৰি...”

‘মুক্তি’ এলবামৰ (১৯৯৮) এই বিশেষ গীতটোত জুবিনে “প্ৰতিটো” শব্দটো যিদৰে ব্যৱহাৰ কৰি গীতটোৰ মাজেৰে মানুহৰ আশা-নিৰাশা, শূন্যতাবোধ, ক্ষোভ আৰু উপলব্ধিৰ ৰহস্যময় জীৱনটোক প্ৰতিফলিত কৰিছে, ঠিক সেইদৰে সুৰ তথা প্ৰকাশভংগী সম্পূৰ্ণ পৃথক হ’লেও ‘মা’ এলবামৰ ‘কেতিয়াবা’ শীৰ্ষক গীতটোৰ মাজেদি জীৱনৰ ৰহস্যময় সময়বোৰক যেন জুবিন গাৰ্গে আকৌ এবাৰ উপলব্ধি কৰিছে।

জুবিন গাৰ্গ যিহেতু সকলো বাদ্যযন্ত্ৰতেই সিদ্ধহস্ত, সেইবাবে জুবিন গাৰ্গৰ নিজা সৃষ্টিত বাদ্যযন্ত্ৰৰ ব্যৱহাৰে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰা দেখা যায়। তবলাত বিশাৰদ তথা সকলোধৰণৰ ‘percussion instrument’ত সিদ্ধহস্ত জুবিন গাৰ্গৰ গানবোৰত বিশেষকৈ ‘Rhythm section’টো মন কৰিবলগীয়া। উদাহৰণস্বৰূপে “পলিটিক্স নকৰিবা বন্ধু” শীৰ্ষক গীতটোৰ কথাই ক’ব পাৰোঁ। গীতটোৰ কথাৰ লগতে অন্যতম আকৰ্ষণ ‘Rhythm section’টো। ‘আনন্দ লহৰী’ৰ দৰে ভাৰতীয় লোকসংগীতৰ বাদ্যযন্ত্ৰসমূহৰ সু-সংমিশ্ৰণে গীতটোৰ সংগীত ব্যৱস্থাপনাত এক নতুনত্ব প্ৰদান কৰিছে। গীতটোৰ সুৰ খুব সৰল, সকলো মানুহেই শুনি শুনাব পৰা বিধৰ। গীতটোত মন্ত্ৰী, বিধায়কক পাপৰ লগত তুলনা কৰি সাধাৰণ খাটি খোৱা জনতাৰ লগত “পলিটিক্স” নকৰিবলৈ ব্যংগাত্মক প্ৰকাশভংগীৰে সকীয়নি প্ৰদান কৰিছে।

গীত এটা কেৱল কথাৰ জোৰত কেতিয়াও জনপ্ৰিয় হ’ব নোৱাৰে যদিহে গীতটোৰ সুৰ আকৰ্ষণীয় নহয়। জুবিন গাৰ্গৰ গীতৰ আটাইতকৈ শক্তিশালী উপাদানটোৱেই হৈছে গীতৰ সুৰ। জুবিন গাৰ্গ এনে এজন দক্ষ সুৰকাৰ, যাৰ সুৰতেই কবিতায়ো প্ৰাণ পায় এটা গীতলৈ। কবিতাক গীতলৈ ৰূপান্তৰ কৰাটো সুৰকাৰ এজনৰ বাবে কিছু কষ্টকৰ কাম। কাৰণ কবিতাৰ ক্ষেত্ৰত বহু ধৰণৰ বাধ্য-বাধকতা থাকে। সুৰকাৰে নিজৰ ইচ্ছামতে শব্দৰ ইফাল-সিফাল কৰিব নোৱাৰে। সুৰকাৰ হিচাপে জুবিন গাৰ্গ কিন্তু ইয়াতো সফল হৈছে।

নতুন প্ৰজন্মটোৰ লগত জুবিন গাৰ্গৰ আছিল একাত্ম আত্মীয়তা। এই প্ৰজন্মটোক অসমীয়া সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰাৰ ক্ষেত্ৰত তেওঁৰ ভূমিকা আছিল একক। নতুন প্ৰজন্মটোক বৰগীত, লোকগীত, জ্যোতি সংগীতৰ সৈতে চিনাকি কৰাই দি জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে এখন বৰ অসম গঢ়াৰ সপোন দেখিছিল সেই স্বতন্ত্ৰ ব্যক্তিজনে। নতুন প্ৰজন্মটোৰ প্ৰতি তেওঁৰ অফুৰন্ত বিশ্বাস আৰু মৰম আছিল।

সেয়ে তেওঁ বৈপ্লৱিক কলাৰে কৈছিল—

“আমি নতুন প্ৰজন্ম হওঁ। আমি দেশ সলাবও পাৰোঁ, গঢ়িবও পাৰোঁ।”

নতুন প্ৰজন্মটোৰ বাবেও জুবিন আছিল হাৰ্টথ্ৰ’ব।

জুবিন গাৰ্গ বিশেষকৈ সমাজবাদত বিশ্বাসী আছিল। কলাগুৰু আৰ্টছ ফাউণ্ডেচন নামৰ সংস্থাটোৰ তেওঁ এগৰাকী মূল অংশীদাৰ। এই সংস্থাটোৰ জৰিয়তে তেওঁ অসমৰ পিছপৰা শিল্পীসকলক স্বাস্থ্যজনিত কাৰণত আৰ্থিক সাহায্য, বানপীড়িত ৰাইজ তথা ছাত্ৰ-ছাত্ৰীসকলক আৰ্থিকভাৱে বহুখিনি সহায় কৰে। এপিএছচিৰ নিযুক্তি ক্ষেত্ৰৰ দুৰ্নীতিৰ বিষয়টো লৈ তেওঁ “কাঞ্চনজংঘা” চিনেমাখন নিৰ্মাণ কৰিছিল। এই সকলোবোৰৰ উপৰি জুবিন এগৰাকী ফুটবলপ্ৰেমী হোৱাৰ হেতুকে সময়ে সময়ে তেওঁ ফুটবল খেলা পৰিলক্ষিত হয়।

বৰ্ণালী ডেকা

২০২১ চনৰ মে’ মাহত ক’ভিড-১৯ৰ সংক্ৰমণৰ উত্থানৰ সময়ত গাৰ্গে গুৱাহাটীত থকা দুমহলীয়া ঘৰটো ৰোগীৰ বাবে বিচনাৰ বৰ্ধিত চাহিদা পূৰণৰ উদ্দেশ্যে ক’ভিড কেয়াৰ চেণ্টাৰলৈ ৰূপান্তৰিত কৰিবলৈ আগবঢ়াইছিল। ইয়াৰোপৰি জাতিপ্ৰেমো আছিল তেওঁৰ সৰ্বোত্তম গুণ। কা আন্দোলনৰ সময়ত উৎকৃষ্ট নেতৃত্ব দি অহিংসাৰে আন্দোলনটো চলাই লৈ যোৱা ব্যক্তিসকলৰ মাজত জুবিন গাৰ্গ অন্যতম। তেওঁৰ সবল নেতৃত্বত সমগ্ৰ শিল্পীসমাজ ওলাই আহি আন্দোলনটোক দৃঢ় কৰি তুলিছিল।

কবি হীৰেন ভট্টাচাৰ্যই জুবিন সম্পৰ্কে লিখিছিল—

“গান লিখিলেই গান নহয়। সকলো সময়তে ভাল মাতেই গায়ক নহয়। ভাল গানে, ভাল গানৰ কথাই মানুহক আকৰ্ষণ কৰে। গানৰ স্থায়িত্ব গানৰ কথাখিনিৰ ওপৰত নিৰ্ভৰ কৰে। গানৰ সুৰ মনত নাথাকিলেও গীতৰ কথা মনত থাকি যাব পাৰে। আমি ড° ভূপেন হাজৰিকা বা ড° বীৰেন্দ্ৰনাথ দত্তৰ গানৰ ক্ষেত্ৰত দেখোঁ, গীতৰ কথা সুন্দৰ বাবে গীতবোৰ মনত থাকি যায়। অসমৰ একে ধাৰাৰ, একে সুৰীয়া গীতৰ মাজতে জুবিনে জোকাৰণি এটা দিলে।”

ৰাজহাড় পোন কৰি থিয় হ’ব খোজা ব্যক্তিজনে তেওঁৰ ‘জন্মদিন’ নামৰ কবিতা এটাত লিখিছিল—

“মোৰ সোঁ কাষখন ভাঙি দে
বাওঁ কাষখনো ভাঙি দে
মই কিন্তু থিয় হৈয়ে থাকিম
যেতিয়ালৈকে মোৰ
ৰাজহাড় ডাল ভাঙিব নোৱাৰ...”

I AM THE SPINE!

“স্বাভিমান” কবিতাটোত তেওঁ লিখিছিল—

“জানা, নাজানা তোমাৰ কথা
বুজা, নুবুজা তোমাৰ কথা
অসাধাৰণ মই
মোৰ স্বাধীনতা
মোৰ কথা, গান, কবিতা
মাজে মাজে মোৰ নীৰৱতা
শেষ হ’ল আজিৰ কবিতা।”

জ্যোতি সংগীত, ৰাভা সংগীত, জাতীয় সংগীত, আধুনিক গীত, ৰোমাণ্টিক গীত, লোকসংগীত, বিয়ানামকে আদি কৰি অসমীয়া সংগীত জগতখনত এনে গীত নাই যি তেওঁৰ মাতত সমৃদ্ধ হোৱা নাই। এগৰাকী প্ৰসিদ্ধ কণ্ঠশিল্পীৰ উপৰিও তেওঁ এগৰাকী সংগীত পৰিচালক, গীতিকাৰ, সুৰকাৰ, অভিনেতা, চলচ্চিত্ৰ প্ৰযোজক, চলচ্চিত্ৰ পৰিচালক, চিত্ৰনাট্যকাৰ, বাদ্যযন্ত্ৰী, কবি আৰু সমাজকৰ্মী। ত্ৰিনিদাদ আৰু ট’বাগোত অনুষ্ঠানত অসংখ্য হিন্দী আৰু অসমীয়া হিট গীত গাই কনচাৰ্টৰ শিৰোনাম দখল কৰা প্ৰথমজন অসমীয়া মনোৰঞ্জনকাৰী হিচাপে পৰিগণিত হৈছিল জুবিন গাৰ্গ।

সংগীত পৰিচালক হিচাপে জুবিন গাৰ্গে জনপ্ৰিয় কথাছবি “হিয়া দিয়া নিয়া” (২০০০), “তুমি মোৰ মাথোঁ মোৰ” (২০০০), “শেষ উপহাৰ” (২০০১) আদিকে ধৰি প্ৰায় ২৬খন ছবিত কাম কৰিছে। অভিনেতা হিচাপেও জুবিনে কেৰিয়াৰ আগবঢ়াইছে। ‘মন যায়’ৰ পৰা শেহতীয়াকৈ মুক্তি পোৱা ‘ৰৈ ৰৈ বিনালে’লৈকে জুবিন অভিনেতা হিচাপে সক্ৰিয় হৈ আছে। “তুমি মোৰ মাথোঁ মোৰ”, “দীনবন্ধু”, “প্ৰিয়াৰ প্ৰিয়”, “অহেতুক”, “মিছন চাইনা”, “কাঞ্চনজংঘা”

বৰ্ণালী ডেকা

আদি তেওঁৰ উল্লেখনীয় ছবি। ২০০5 চনত জুবিন গাৰ্গে “শুধু তুমি” নামৰ বঙালী ভাষাৰ কথাছবিত কৰা কামৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰে।

আজিৰ পৰা বিশ-পঁচিশ বছৰৰ আগতে জুবিন গাৰ্গে যিবোৰ গান সৃষ্টি কৰিছিল, সেই সৃষ্টিসমূহত জুবিন গাৰ্গৰ সেই সময়ৰ প্ৰেম-ভালপোৱা আৰু আৱেগ-অনুভূতিসমূহ জড়িত হৈ আছিল। যাৰ বাবেই নব্বৈৰ দশকৰ সন্ত্ৰাসজৰ্জৰিত অস্থিৰ অসমখনলৈ “অন্ধ আকাশ ৰুদ্ধ বতাহ”, “সোণেৰে সজোৱা পঁজা”, “জগত পোহৰ কৰি আহিব শ্ৰাৱণ”ৰ দৰে কেইবাটাও চিৰযুগমীয়া গীতৰ সৃষ্টি হোৱাত সহায় হৈছিল।

ঠিক সেইদৰে—

“তুমি চোৱা যেতিয়া দুচকুলে
মোৰ আকাশ ভাঙি নামে বিজুলী”

(এলবাম: “মেঘৰ বৰণ”, ১৯৯৯)

“বৰষা যেতিয়া নামে বুকুলৈ”

(এলবাম: “ৰং”, ১৯৯৬)

“জ্বলি উঠা জুই হয় জ্বলোৱা কামনা”

(এলবাম: “মেঘৰ বৰণ”)

আদি গীতবোৰে গীতিকাৰৰ সেই সময়ৰ প্ৰেমানুভূতিবোৰক প্ৰতিনিধিত্ব কৰিছে।

সময়ৰ লগত মানুহৰ চিন্তা-ধাৰা, পৰ্যবেক্ষণ আদি সকলো সলনি হোৱাটো স্বাভাৱিক। গতিকে জুবিন গাৰ্গৰ আজিৰ সৃষ্টিৰাজিতো সেইধৰণৰ সালসলনি অহাটো স্বাভাৱিক প্ৰক্ৰিয়া। দুই-তিনি দশক ধৰি জনপ্ৰিয়তাৰ শীৰ্ষত থকা প্ৰতিজন সৃষ্টিশীল সংগীতশিল্পীৰ ক্ষেত্ৰতে এনে ধৰণৰ পৰিৱৰ্তন লক্ষ্য কৰা যায়।

জুবিন গাৰ্গৰ পূৰ্বৰ গীতসমূহত ব্যৱহাৰ কৰা “হৰিণীনয়না”, “অৱগুণ্ঠন”, “মুগ্ধ হিয়া”ৰ দৰে অলংকাৰিক শব্দসমূহৰ সংমিশ্ৰণে যি সুন্দৰ প্ৰকাশভংগীৰ গঠন কৰিছিল, ঠিক সেইদৰে তেওঁৰ নতুন সৃষ্টিৰাজিতো “শালিকী পুৱা”, “তিমিৰ বৰণ”, “অগ্নিস্নান”ৰ দৰে বহু কাণ জুৰ পেলোৱা ফুলাম শব্দৰ সমাহাৰ আজিও শুনিবলৈ পোৱা যায়।

সাগৰ, পানী আৰু প্ৰকৃতিক ভাল পোৱা মানুহজনে তেওঁৰ “Water” নামৰ এটি কবিতাত লিখিছিল—

“মোৰ প্ৰতিবাদী সত্তাৰ পৰিধি
তইঁতে বুজি নাপাবি
মই নদীৰ পৰা সাগৰলৈ যাব পাৰোঁ
সাগৰৰ পৰা নদীলৈ ঘূৰিও আহিব পাৰোঁ
মাথোঁ মোৰ ৰং সলনি হ’ব
পানীৰ সোৱাদ সলনি হ’ব...”

তেওঁ প্ৰায়েই কৈছিল—

Be Water,

Be shapeless...

বৰ্ণালী ডেকা

আজীৱন অসমৰ বাবে বিনা স্বাৰ্থে নিয়োজিত কৰা জুবিন গাৰ্গে কেৱল বিচাৰিছিল তেওঁৰ মাতৃভূমিৰ সৰ্বাংগীন উন্নতি। তেওঁ কৈছিল, তেল, গছ, নদী, পাহাৰ, চাহপাত, গঁড় আৰু প্ৰাকৃতিক সৌন্দৰ্যৰে আৱৰি থকা অসমখনত একোৰে অভাৱ নাই। গানৰ ক্ষেত্ৰখনত নিজকে আৰু বহু দূৰলৈ আগুৱাই নিবলৈ তেওঁ আন বহুতো শিল্পীৰ দৰে বলীউডৰ জগতখন বাছি ল'ব পাৰিলেহেঁতেন, কিন্তু তেনে নকৰি তেওঁ বাছি লৈছিল নিজৰ জন্মভূমি।

"অনামিকা"ৰ জৰিয়তে অসমৰ সংগীতৰ জগতখনক নতুন ৰূপেৰে সজাই তোলা জুবিনৰ গীতত এনে কি শক্তি আছিল, যি শক্তিয়ে তিনিটা দশক ধৰি অসমীয়া শ্ৰোতাক মোহাচ্ছন্ন কৰি ৰাখিছিল—তাৰ বিশ্লেষণৰ প্ৰয়োজন আছে।

দিনটোৰ আৰম্ভণিৰ পৰা নিশা বিচনাত পৰালৈকে প্ৰতিটো মুহূৰ্ততে অসমৰ শ্ৰোতাই শুনিব পৰাকৈ তেওঁ এৰি গৈছে বৰগীত, লোকগীত, টোকাৰী গীত, আধুনিক গীত, বনগীত, বিৰহ-আনন্দ আদি সময়ে সময়ে শুনিব পৰা গীত।

ইয়াৰোপৰি দুটাকৈ নাগাৰা নামতো কণ্ঠ দিছিল তেওঁ।

১৯৯৬ চনত চেনেল ভি মিউজিক এৱাৰ্ডছ আৰু স্ক্ৰীন এৱাৰ্ডছত জুবিন গাৰ্গৰ "চান্দনী ৰাত" এলবামটো শ্ৰেষ্ঠ ভাৰতীয় পপ এলবাম হিচাপে নিৰ্বাচিত হয়। ২০১১ চনত আমেৰিকাৰ ইলিনয়ৰ অক ব্ৰুকত অনুষ্ঠিত হোৱা অসম অধিৱেশনৰ দ্বাৰা জুবিন গাৰ্গক বছৰৰ অতিথি শিল্পী হিচাপে সন্মানিত কৰা হয়। ২০২৪ চনৰ ২৭ মে'ত জুবিন গাৰ্গক মেঘালয়ৰ বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰ অৱ লিটাৰেচাৰ (ডি.লিট.) ডিগ্ৰী প্ৰদান কৰা হয়। ২০০৯ চনৰ ৫৫সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত অ-কাহিনীমূলক ছবি "Echoes of Silence"ৰ বাবে তেওঁ শ্ৰেষ্ঠ সংগীত পৰিচালনাৰ বঁটা লাভ কৰে। ২০২৫ চনত তেওঁক "গ্ল'বেল হিউমেনিটেৰিয়ান" উপাধি প্ৰদান কৰা হয়।

জুবিন গাৰ্গ এক অনুষ্ঠানৰ নাম, যি অনুষ্ঠানে সীমাৰ পৰিধি ভাঙি আমাক দি গৈছে অযুত সৃষ্টি। তেওঁ আছিল সুৰৰ বাহক। তেওঁৰ দুচকুত ভাহিছিল মাথোঁ মুক্তিৰ শুদ্ধ পথ।

মৃত্যুৰ পিছতো অসমখনক বিশ্ব দৰবাৰত বিশ্ববৰণ্য হিচাপে প্ৰতিষ্ঠা কৰি যোৱা এই মহান মনীষীজনক যাচিছোঁ কৌটি কৌটি প্ৰণাম। হাজাৰবাৰ চকুলো নিগৰি শ্ৰদ্ধাঞ্জলি দিয়া অসমীয়াৰ বাবে এতিয়াও জুবিনবিহীন অসমখন কল্পনাৰো অগোচৰ। ডেকা-গাভৰুৰ পৰা বৃদ্ধজনলৈ সাৰুৱা মাত আৰু স্পষ্টবাদী কণ্ঠেৰে হিয়াৰ আমঠু হ'ব পৰা ব্যক্তি কেৱল আৰু কেৱল জুবিন গাৰ্গ।

তিনি দশকতকৈও অধিক সময় ধৰি অসমীয়া সংগীত জগতক সমৃদ্ধ কৰি ৰখা জুবিন গাৰ্গৰ জীৱন আছিল সংগীতৰ এক অবিস্মৰণীয় যাত্ৰা। লোকপৰম্পৰা, আধুনিক পপ, ৰক আৰু বলীউডলৈকে—লুইতৰ পাৰৰ এই সুৰীয়া কণ্ঠটোৱে যুগে যুগে অসমীয়া সংস্কৃতিক বিশ্বৰ দৰবাৰত জিলিকাই ৰাখিব। অসমীৰ ইতিহাসত উজ্জ্বল সোণালী আখৰেৰে লিপিবদ্ধ হোৱা এই নামটি বৈ যাব প্ৰজন্মৰ পৰা প্ৰজন্মলৈ, অনাদি কাললৈ...।

বৰ্ণালী ডেকা

প্ৰবন্ধ

সাম্প্ৰতিক সময়ৰ অসমীয়া আলোচনী:
সাহিত্য আৰু যুৱ সমাজৰ ক্ষেত্ৰত ইয়াৰ ভূমিকা

তৃতীয় পুৰস্কাৰ

লেখক

অনুৰাগ ডেকা

অসমীয়া জাতিৰ বৌদ্ধিক, সাংস্কৃতিক আৰু সামাজিক জীৱনৰ দাপোনস্বৰূপ অসমীয়া আলোচনীসমূহৰ ইতিহাস অতিশয় গৰিমামণ্ডিত। ১৮৪৬ চনত শিৱসাগৰৰ পৰা প্ৰকাশিত আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলৰ অৰুণোদইৰ জৰিয়তে যি বৌদ্ধিক যাত্ৰাৰ শুভাৰম্ভ হৈছিল, সেই যাত্ৰা আজিৰ একবিংশ শতিকাৰ অত্যাধুনিক তথ্য-প্ৰযুক্তিৰ যুগত আহি এক বিশেষ সন্ধিক্ষণত উপনীত হৈছে। সাম্প্ৰতিক সময়ৰ অসমীয়া আলোচনী বুলি ক'লে আমি কেৱল ছপা মাধ্যমত প্ৰকাশিত আলোচনীসমূহকে নহয়, বৰং ইণ্টাৰনেট জগতত দ্ৰুতগতিত সম্প্ৰসাৰিত হোৱা ই-আলোচনী বা ডিজিটেল সাহিত্যৰ প্লেটফৰ্মসমূহকো সামৰি ল'ব লাগিব। সাহিত্য চৰ্চা আৰু যুৱ সমাজৰ মানসিকতা গঠনত এই আলোচনীসমূহৰ ভূমিকা সদায়েই গুৰুত্বপূৰ্ণ। বৰ্তমানৰ এই পৰিৱৰ্তিত সমাজ ব্যৱস্থাত, য'ত গোলকীকৰণ আৰু পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱে থলুৱা সত্তাক হ্ৰাস কৰিবলৈ উদ্যত হৈছে, তেনে সময়ত অসমীয়া আলোচনীৰ গুৰুত্ব আৰু দায়িত্ব পূৰ্বতকৈ বহু গুণে বৃদ্ধি পাইছে। এই প্ৰবন্ধত সাম্প্ৰতিক সময়ৰ অসমীয়া আলোচনীৰ স্বৰূপ, সাহিত্যৰ বিকাশত ইয়াৰ অৱদান আৰু যুৱ সমাজক দিক্‌দৰ্শন কৰোৱাৰ ক্ষেত্ৰত ইয়াৰ ভূমিকা সন্দৰ্ভত এক বিশদ আলোচনা আগবঢ়োৱা হ'ল।

অসমীয়া সাহিত্যৰ ক্ৰমবিকাশৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় যে প্ৰতিটো যুগতেই একোখন বিশেষ আলোচনীয়ে নেতৃত্ব বহন কৰি আহিছে। জোনাকী, বাঁহী, আৱাহন আৰু ৰামধেনুৰ দৰে আলোচনীয়ে যিদৰে একোটা যুগৰ সৃষ্টি কৰি সাহিত্যৰ ধাৰা পৰিৱৰ্তন কৰিছিল, সাম্প্ৰতিক সময়ৰ আলোচনীসমূহেও সেই ধাৰা অক্ষুণ্ণ ৰাখিবলৈ অহৰহ চেষ্টা চলাই আছে। বৰ্তমান সময়ত গৰীয়সী, প্ৰান্তিক, সাতসৰী, প্ৰকাশ আদিৰ দৰে গম্ভীৰ আলোচনীয়ে ছপা মাধ্যমৰ মৰ্যাদা ৰক্ষা কৰি থকাৰ সমান্তৰালভাৱে মুক্তচিন্তা, সাহিত্য ডট অৰ্গ, নীলা চৰাই আদিৰ দৰে ই-আলোচনীয়ে সাহিত্যৰ নতুন দুৱাৰ মুকলি কৰিছে।

সাহিত্যৰ ক্ষেত্ৰত এই আলোচনীসমূহৰ ভূমিকা বহুমুখী। প্ৰথমতে, এই আলোচনীসমূহ হ'ল নৱীন লেখক সৃষ্টিৰ প্ৰধান কৰ্মশালা। এগৰাকী প্ৰতিভাৱান লেখকে যেতিয়া তেওঁৰ সৃষ্টিৰাজি প্ৰকাশৰ বাবে এখন মঞ্চ বিচাৰে, তেতিয়া আলোচনীসমূহেই তেওঁক প্ৰথমে আদৰি লয়। উপন্যাস এখন লিখি উলিওৱাৰ পূৰ্বে গল্প, কবিতা বা প্ৰবন্ধৰ মাজেৰে লেখকজনে নিজৰ হাত পোনাবলগীয়া হয়। সাম্প্ৰতিক সময়ৰ আলোচনীসমূহে নতুন প্ৰজন্মৰ লেখকক এই সুযোগ প্ৰদান কৰিছে। বিশেষকৈ গৰীয়সী বা সাতসৰীৰ পাতত গল্প বা কবিতা প্ৰকাশ হোৱাটো আজিও এজন তৰুণ লেখকৰ বাবে স্বীকৃতিৰ প্ৰথম খাপ বুলি গণ্য কৰা হয়। এই আলোচনীসমূহে কেৱল লেখা প্ৰকাশেই নকৰে, বৰং সম্পাদনাৰ জৰিয়তে ভাষাটোৰ শুদ্ধতা আৰু মানদণ্ড বৰ্তাই ৰখাতো সহায় কৰে।

সাহিত্যৰ বিভিন্ন শাখা, যেনে—গল্প, কবিতা, উপন্যাস, প্ৰবন্ধ, সমালোচনা সাহিত্য আদিৰ পৰীক্ষা-নিৰীক্ষাৰ ক্ষেত্ৰতো সাম্প্ৰতিক আলোচনীৰ ভূমিকা অপৰিসীম। বৰ্তমান সমাজৰ জটিলতা, মানুহৰ মনস্তাত্ত্বিক দ্বন্দ্ব আৰু যান্ত্ৰিকতাৰ প্ৰভাৱ আধুনিক গল্প-কবিতাত কেনেদৰে প্ৰতিফলিত হৈছে, তাৰ উমান আলোচনীৰ পাততেই পোৱা যায়। ধাৰাবাহিক উপন্যাস প্ৰকাশৰ পৰম্পৰা আজিও প্ৰান্তিক বা অন্যান্য আলোচনীয়ে ধৰি ৰাখিছে, যিয়ে পাঠকক দীৰ্ঘদিনৰ বাবে সাহিত্যৰ সৈতে বান্ধি ৰাখিবলৈ সক্ষম হয়। ইয়াৰ উপৰি, বিশ্বসাহিত্যৰ শেহতীয়া ধাৰাসমূহৰ সৈতে অসমীয়া পাঠকক পৰিচয় কৰাই দিয়াৰ ক্ষেত্ৰতো এই আলোচনীসমূহৰ অৱদান অনস্বীকাৰ্য। অনুবাদ সাহিত্যৰ জৰিয়তে দেশ-বিদেশৰ উন্নত মানৰ সাহিত্যৰাজি অসমীয়া ভাষালৈ তৰ্জমা কৰি আলোচনীসমূহে আমাৰ সাহিত্যৰ ভঁৰাল চহকী কৰিছে। ইয়াৰ ফলত আমাৰ তৰুণ লেখকসকলে বিশ্ব দৰবাৰৰ সাহিত্যৰ মানদণ্ডৰ সৈতে নিজকে তুলনা কৰাৰ সুযোগ পাইছে আৰু নতুন আংগিকৰ গৱেষণা কৰিবলৈ অনুপ্ৰাণিত হৈছে।

সমালোচনা সাহিত্যৰ ক্ষেত্ৰতো আলোচনীসমূহৰ ভূমিকা গুৰুত্বপূৰ্ণ। নিৰপেক্ষ আৰু গঠনমূলক সমালোচনাইহে সাহিত্যক আগুৱাই নিয়ে। সুস্থ সমালোচনা আৰু সাহিত্য বিষয়ক তাত্ত্বিক প্ৰবন্ধ প্ৰকাশৰ জৰিয়তে আলোচনীসমূহে পাঠক আৰু লেখক উভয়ৰে ৰুচিৰ মানদণ্ড নিৰ্ণয়ত সহায় কৰে।

যুৱ সমাজৰ মানসিক গঠন আৰু বৌদ্ধিক বিকাশত অসমীয়া আলোচনীৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। যুৱপ্ৰজন্ম হ'ল এটা জাতিৰ মেৰুদণ্ড। তেওঁলোকৰ চিন্তাধাৰা যিফালে ধাৱমান হয়, জাতিটোৰ ভৱিষ্যতো সেইফালেই গতি কৰে। সাম্প্ৰতিক সময়ত দেখা গৈছে যে বিশ্বায়নৰ ঢৌত আমাৰ যুৱ সমাজৰ একাংশই নিজৰ ভাষা-সংস্কৃতিৰ পৰা ক্ৰমাৎ আঁতৰি যাব ধৰিছে। ইংৰাজী মাধ্যমৰ শিক্ষা আৰু ইণ্টাৰনেটৰ সহজলভ্যতাই তেওঁলোকক বিশ্বনাগৰিক কৰিছে সঁচা, কিন্তু শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ উপক্ৰম ঘটিছে। এই সন্ধিক্ষণত অসমীয়া আলোচনীসমূহে এক সংযোগ-সেতুৰ কাম কৰিছে।

প্ৰান্তিকৰ দৰে আলোচনীয়ে দীৰ্ঘদিন ধৰি যুৱচামৰ বাবে কেৰিয়াৰ গাইডেন্স, সাধাৰণ জ্ঞান আৰু বিজ্ঞান-প্ৰযুক্তিৰ লেখা প্ৰকাশ কৰি আহিছে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে কেৱল মনোৰঞ্জনেই লাভ কৰা নাই, বৰং জীৱন গঢ়াৰ পথেয়ো বিচাৰি পাইছে। আলোচনীৰ পাতত প্ৰকাশিত ভ্ৰমণ কাহিনী, জীৱনী আৰু সফল ব্যক্তিৰ সাক্ষাৎকাৰে যুৱক-যুৱতীসকলক অনুপ্ৰাণিত কৰে। সমাজৰ জ্বলন্ত সমস্যাসমূহ, যেনে—নিবনুৱা সমস্যা, পৰিৱেশ প্ৰদূষণ, ৰাজনৈতিক অস্থিৰতা, নাৰী নিৰ্যাতন আদি বিষয়ত প্ৰকাশিত গম্ভীৰ প্ৰবন্ধসমূহে যুৱপ্ৰজন্মক সমাজ সচেতন কৰি তোলে। তেওঁলোকে নিজৰ সমাজখনক বুজিবলৈ শিকে আৰু সমস্যা সমাধানৰ বাবে নিজস্ব মতামত গঠন কৰিবলৈ সক্ষম হয়।

বৰ্তমান সময়ত ছপা মাধ্যমৰ আলোচনীৰ সমান্তৰালভাৱে ডিজিটেল বা ই-আলোচনীৰ জনপ্ৰিয়তা দ্ৰুতগতিত বৃদ্ধি পাইছে। এই পৰিৱৰ্তনে সাহিত্য আৰু যুৱ সমাজৰ সম্পৰ্কক এক নতুন মাত্ৰা প্ৰদান কৰিছে। আজিৰ যুৱপ্ৰজন্মই যিহেতু সৰহভাগ সময় স্মাৰ্টফোন বা কম্পিউটাৰত অতিবাহিত কৰে, সেয়েহে ছপা কিতাপ বা আলোচনী কিনি পঢ়াৰ অভ্যাস কিছু পৰিমাণে হ্ৰাস পাইছে। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে তেওঁলোকে সাহিত্য চৰ্চা কৰা নাই। ফেচবুক, ইনষ্টাগ্ৰাম, ব্লগ আৰু বিভিন্ন ৱেবছাইটৰ জৰিয়তে তেওঁলোকে সাহিত্যৰ সৈতে জড়িত হৈ আছে।

এই ডিজিটেল প্লেটফৰ্মসমূহে লেখক আৰু পাঠকৰ মাজৰ ব্যৱধান কমাই আনিছে। আগতে এটা লেখা আলোচনীত প্ৰকাশ পাবলৈ মাহৰ পিছত মাহ অপেক্ষা কৰিবলগীয়া হৈছিল আৰু সম্পাদকৰ মেজত নিৰ্বাচিত নহ'লে সেই লেখা কেতিয়াও পোহৰলৈ অহা নাছিল। কিন্তু এতিয়া ই-আলোচনী আৰু ছ'চিয়েল মিডিয়াৰ ফলত প্ৰকাশৰ এই প্ৰক্ৰিয়াটো সহজ আৰু গণতান্ত্ৰিক হৈ পৰিছে। যিকোনো তৰুণ লেখকে নিজৰ সৃষ্টি তাৎক্ষণিকভাৱে পাঠকৰ আগত দাঙি ধৰিব পাৰে আৰু তাৰ মতামত বা প্ৰতিক্ৰিয়াও লগে লগে লাভ কৰে। এই তাৎক্ষণিক যোগাযোগে যুৱ লেখকসকলক উৎসাহিত কৰে।

মুক্তচিন্তাৰ দৰে ই-আলোচনীয়ে বিজ্ঞানমনস্কতা আৰু যুক্তিবাদী চিন্তাৰ প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে, যিয়ে যুৱ সমাজক অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ পৰা মুক্ত হৈ বিজ্ঞানসন্মত দৃষ্টিভংগী গ্ৰহণ কৰাত সহায় কৰিছে। তদুপৰি, এই ডিজিটেল আলোচনীসমূহ বিশ্বৰ যিকোনো প্ৰান্তৰ পৰাই পঢ়িব পৰা যায় বাবে প্ৰবাসী অসমীয়া যুৱপ্ৰজন্মও অসমীয়া সাহিত্যৰ সৈতে নিবিড়ভাৱে জড়িত হৈ থাকিব পাৰিছে।

অৱশ্যে, সাম্প্ৰতিক সময়ৰ অসমীয়া আলোচনীৰ জগতখনত কেৱল ইতিবাচক দিশেই বিৰাজমান নহয়; কিছুমান প্ৰত্যাহ্বান আৰু নেতিবাচক দিশো পৰিলক্ষিত হয়। বজাৰ অৰ্থনীতিৰ প্ৰভাৱত বহু সময়ত আলোচনীসমূহে ব্যৱসায়িক স্বাৰ্থত লঘু মনোৰঞ্জনধৰ্মী লেখাক অধিক প্ৰাধান্য দিয়া দেখা যায়। গছিপ, চিনেমা জগতৰ চটকদাৰ খবৰ বা অগভীৰ বিষয়বস্তুৱে কেতিয়াবা সাহিত্যৰ গাম্ভীৰ্য হ্ৰাস কৰে। ইয়াৰ ফলত যুৱ সমাজৰ ৰুচিৰ বিকৃতি ঘটাৰ আশংকা থাকে।

তদুপৰি, ছ'চিয়েল মিডিয়াৰ অত্যধিক ব্যৱহাৰৰ ফলত পাঠকৰ মনোযোগৰ সময়সীমা (attention span) কমি গৈছে। দীৰ্ঘলীয়া আৰু গৱেষণালব্ধ প্ৰবন্ধ পঢ়াৰ ধৈৰ্য আজিৰ বহু পাঠকৰ নাই। ইয়াৰ ফলত মেগী নুডলছৰ দৰে 'ইনষ্টেণ্ট সাহিত্য'ৰ পয়োভৰ ঘটিছে, য'ত আৱেগৰ প্ৰাবল্য থাকে কিন্তু সাহিত্যিক দৰ্শন বা গভীৰতাৰ অভাৱ দেখা

যায়। বানান বিভ্ৰাট আৰু ব্যাকৰণগত ভুল ডিজিটেল মাধ্যমত সঘনাই চকুত পৰে, যিয়ে ভাষাৰ মানদণ্ডৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে।

ছপা আলোচনীসমূহৰ বাবে আন এক ডাঙৰ প্ৰত্যাহ্বান হ'ল অৰ্থনৈতিক সংকট। কাগজৰ বৰ্ধিত দাম আৰু বিজ্ঞাপনৰ অভাৱৰ বাবে বহুতো ঐতিহ্যমণ্ডিত আলোচনী বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে বা অনিয়মীয়াকৈ প্ৰকাশ পাইছে। ই এক চিন্তনীয় বিষয়, কাৰণ ছপা আখৰৰ যি আবেদন আৰু স্থায়িত্ব, সেয়া ডিজিটেল মাধ্যমত সদায় পোৱা নাযায়।

ভাষা জননীৰ প্ৰতি দায়বদ্ধতা আৰু সাহিত্যৰ প্ৰতি থকা নিঃস্বাৰ্থ ভালপোৱাই হ'ল অসমীয়া আলোচনীৰ মূল চালিকা শক্তি। যুৱ সমাজে এই কথা অনুধাৱন কৰা উচিত যে আলোচনী এখন কেৱল কাগজৰ বা কেইটামান ৱেবপেজৰ সমষ্টি নহয়; ই এটা জাতিৰ বৌদ্ধিক চিন্তাৰ দলিল। সাম্প্ৰতিক সময়ত অসমৰ বিভিন্ন প্ৰান্তত গঢ়ি উঠা সাহিত্য চক্ৰ আৰু পঠন ক্লাবসমূহে এই ক্ষেত্ৰত আশাৰ বতৰা কঢ়িয়াই আনিছে। আলোচনীক কেন্দ্ৰ কৰি অনুষ্ঠিত হোৱা আড্ডাসমূহৰ পৰাই জন্ম হয় নতুন চিন্তাৰ। যুৱ সমাজে কেৱল পাঠক বা লেখক হিচাপেই নহয়, আলোচনীসমূহৰ প্ৰসাৰ আৰু সংৰক্ষণৰ বাবেও আগভাগ ল'ব লাগিব।

পুথিভঁৰাল আন্দোলনক পুনৰুজ্জীৱিত কৰা আৰু বিদ্যালয়-মহাবিদ্যালয় পৰ্যায়ত আলোচনী পঢ়াৰ অভ্যাস গঢ়ি তোলাটো অতি জৰুৰী। অভিভাৱক আৰু শিক্ষকসকলেও শিশু আৰু কিশোৰক পাঠ্যপুথিৰ বাহিৰেও শিশু আলোচনী আৰু সাহিত্যধৰ্মী আলোচনী পঢ়িবলৈ উৎসাহিত কৰিব লাগিব। মৌচাক, সফুৰা আদিৰ দৰে শিশু আলোচনীয়ে যিদৰে এটা সময়ত ল'ৰা-ছোৱালীৰ মনক সজাই তুলিছিল, সেই পৰিৱেশ পুনৰ ঘূৰাই অনাৰ প্ৰয়োজন আছে, কাৰণ আজিৰ শিশুৱেই কাইলৈৰ যুৱক।

সাম্প্ৰতিক সময়ৰ অসমীয়া আলোচনীসমূহ এক জটিল সন্ধিক্ষণৰ মাজেৰে গতি কৰিছে যদিও সাহিত্য আৰু সমাজ জীৱনত ইয়াৰ প্ৰাসংগিকতা কেতিয়াও হ্ৰাস হোৱা নাই বা নহ'ব। ই কেৱল মনোৰঞ্জনৰ আহিলা নহয়, বৰং জাতীয় জীৱনৰ দস্তাবেজ। সাহিত্যৰ নৱজাগৰণ, ভাষাৰ শুদ্ধতা ৰক্ষা আৰু যুৱ সমাজক সুস্থ মানসিকতাৰে গঢ়ি তোলাৰ ক্ষেত্ৰত আলোচনীৰ ভূমিকা অপৰিসীম। ডিজিটেল বিপ্লৱে আনি দিয়া সুযোগক সদ্ব্যৱহাৰ কৰি আৰু ছপা মাধ্যমৰ গাম্ভীৰ্যক সন্মান জনাই আমি আগবাঢ়ি যাব লাগিব। যেতিয়ালৈকে অসমীয়া আলোচনীত সৃষ্টিশীল সাহিত্যৰ চৰ্চা অব্যাহত থাকিব, তেতিয়ালৈকে অসমীয়া জাতিৰ বৌদ্ধিক বন্তিগছিও প্ৰজ্বলিত হৈ থাকিব। এই যাত্ৰাত যুৱ সমাজে অগ্ৰণী ভূমিকা ল'লেহে অসমীয়া সাহিত্যই বিশ্ব দৰবাৰত নিজৰ স্বকীয়তাৰে জিলিকি থাকিবলৈ সক্ষম হ'ব।

সেয়েহে, আহক আমি সকলোৱে মিলি অসমীয়া আলোচনী পঢ়োঁ, লিখোঁ আৰু এই বৌদ্ধিক পৰম্পৰাক জীয়াই ৰাখোঁ।

THE WHITE
CHOCOLATE COMPANY
Jimu's
WHITE CHOCOLATE BAR
PURE WHITE CHOCOLATE
This isn't a bar of milk, it's pure white chocolate.
From Assam to the World
We are a homegrown brand from Guwahati, Assam. A simple idea, born from our love for good food and our belief that world-class chocolate can come from right here.
Proudly from Assam
GUWAHATI
MADE WITH REAL COCOA BUTTER
No vegetable fats
RICH & CREAMY
Made with quality milk solids
SIMPLE INGREDIENTS
No artificial colours or preservatives
PURE INDULGENCE
For true chocolate lovers
THE WHITE
CHOCOLATE COMPANY
LAUNCHING SOON!
whitechocolatecompany.com | thewhitechocolatecompany.in